# উদ্বৃত্ত মিলন পত্ৰ আৰু ভুলৰ সংশোধন
## Trial Balance and Rectification of Errors

6

**শিকাৰ উদ্দেশ্য**

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত তোমালোকে -

- উদ্বৃত্ত মিলন পত্ৰৰ অৰ্থ;
- উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুতকৰণৰ উদ্দেশ্যসমূহ;
- উদ্বৃত্ত মিলন পত্ৰৰ প্ৰস্তুতকৰণ;
- ভুলসমূহৰ প্ৰকাৰৰ বৰ্ণনা;
- ভুলসমূহৰ নিৰ্ধাৰণৰ বিভিন্ন পদ্ধতি;
- উদ্বৃত্ত মিলন পত্ৰৰ মিলন-কৰণত প্ৰভাব পেলোৱা আৰু উদ্বৃত্ত মিলন পত্ৰৰ মিলন-কৰণত প্ৰভাব নেপেলোৱা ভুল সমূহৰ চিনাক্তকৰণ;
- স্থগিত হিচাপ প্ৰস্তুত নকৰাকৈ ভুলসমূহৰ শুধৰণি কৰা আৰু
- স্থগিত হিচাপৰ সহায়ত ভুলসমূহৰ শুধৰণি কৰা।

আগৰ অধ্যায়ত আলোচনা কৰি অহা হৈছে যে, দ্বি-প্ৰবিষ্টি হিচাপ ৰক্ষণ পদ্ধতিৰ গুৰুত্বপূৰ্ণ মূলনীতি অনুসৰি প্ৰতিটো ডেবিট প্ৰবিষ্টিৰ লগে লগে তদনুৰূপ ক্ৰেডিট প্ৰবিষ্টি এটাও লিখা হয়। যদি ডেবিট প্ৰবিষ্টিৰ পৰিমান আৰু ক্ৰেডিট প্ৰবিষ্টিৰ পৰিমাণ সমান হয়, তেতিয়া অনুমান কৰিব পাৰি যে জাবেদাৰ পৰা প্ৰবিষ্টিসমূহ শুদ্ধভাৱে খতিয়ন ভুক্ত কৰা হৈছে। উদ্বৃত্ত মিলন পত্ৰ হৈছে এনে এবিধ সঁজুলি যাৰ সহায়ত ডেবিট প্ৰবিষ্টিৰ পৰিমাণ আৰু ক্ৰেডিট প্ৰবিষ্টিৰ পৰিমানৰ শুদ্ধতা প্ৰমান কৰিব পাৰি। উদ্বৃত্ত মিলন পত্ৰই হিচাপৰ দুয়োতা দিশৰ গাণিতিক শুদ্ধতা প্ৰমাণ কৰে, এই অধ্যায়ত উদ্বৃত্ত মিলন পত্ৰৰ অৰ্থ আৰু ইয়াৰ প্ৰস্তুত কৰাৰ প্ৰণালী, বিভিন্ন ধৰণৰ ভুল আৰু ইয়াৰ সংশোধনৰ বিষয়ে আলোচনা কৰা হ'ল।

### 6.1 উদ্বৃত্ত মিলন পত্ৰৰ অৰ্থ (Meaning of Trial Balance)

উদ্বৃত্ত মিলন পত্ৰ হ'ল বিভিন্ন হিচাপৰ ডেবিট আৰু ক্ৰেডিট উদ্বৃত্ত সমূহ লৈ প্ৰস্তুত কৰা তালিকা বা সূচী যাৰ জৰিয়তে খতিয়নত সন্তুলিত কৰা হিচাপৰ গাণিতিক শুদ্ধতা প্ৰমাণ কৰি চোৱা হয়। হিচাপ কৰণৰ প্ৰক্ৰিয়াত উদ্বৃত্ত মিলন পত্ৰ এখন গুৰুত্বপূৰ্ণ তালিকা যাৰ জৰিয়তে বিভিন্ন হিচাপৰ চূড়ান্ত স্থিতি সমূহ জানিব পাৰি

আৰু ইয়ে চুড়ান্ত হিচাপ প্ৰস্তুত কৰাত সহায় কৰে। উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰা কাৰ্যটো সৰলীকৰণ কৰা হয় যাতে হিচাপ ৰক্ষকে বিভিন্ন হিচাপৰ উদ্বৃত্ত সমূহ খতিয়নৰ পৰিবৰ্তে উদ্বৃত্ত মিলন পত্ৰৰ পৰা লব পাৰে।

........ৰ উদ্বৃত্ত মিলন পত্ৰ ৩১ মাৰ্চ ২০০৫ তাৰিখত
Trial Balance of .....as on 31st March, 2005

| হিচাপৰ শিতান<br>Account Title | খ.পৃ.<br>L.F. | ডেবিট উদ্বৃত্ত (টকা)<br>Debit Balance (Rs.) | ক্ৰেডিট উদ্বৃত্ত (টকা)<br>Credit Balance (Rs.) |
|---|---|---|---|
| | | | |
| মুঠ (Total) | | | |

**Fig. 6.1** *উদ্বৃত্ত মিলন পত্ৰৰ আৰ্হি*

সাধাৰণতে উদ্বৃত্ত মিলন পত্ৰ বছৰৰ শেষত প্ৰস্তুত কৰা হয়। কোনো কোনো প্ৰতিষ্ঠানে কেতিয়াবা নিজৰ প্ৰয়োজন সাপেক্ষে এই উদ্বৃত্ত মিলন পত্ৰ প্ৰতি মাহৰ শেষত, বা প্ৰতি তিনি মাহৰ শেষত বা প্ৰতি ছমাহৰ শেষত বা প্ৰতি বছৰৰ শেষত প্ৰস্তুত কৰিব পাৰে।

উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰিবৰ বাবে তলত উল্লেখ কৰা পদক্ষেপ সমূহ গ্ৰহণ কৰা হয়।

- খতিয়ানত অন্তৰ্ভুক্ত কৰা প্ৰত্যেক হিচাপৰ উদ্বৃত্তসমূহ নিৰ্ধাৰণ কৰা।
- হিচাপৰ তালিকা প্ৰস্তুত কৰি এই হিচাপসমূহৰ ডেবিট আৰু ক্ৰেডিট উদ্বৃত্তসমূহ নিৰ্দিষ্ট স্তম্ভত অন্তৰ্ভুক্ত কৰা হয়। (যদি কোনো হিচাপৰ উদ্বৃত্ত শূণ্য হয়, তথাপি তেনে হিচাপৰ উদ্বৃত্ত শূণ্য হিচাপে উদ্বৃত্ত মিলন পত্ৰত দেখুৱাব পাৰি।)
- ডেবিট উদ্বৃত্ত স্তম্ভৰ মুঠ পৰিমাণ গণনা কৰা হয়।
- ক্ৰেডিট উদ্বৃত্ত স্তম্ভৰ মুঠ পৰিমাণ গণনা কৰা হয়।
- ডেবিট উদ্বৃত্তৰ পৰিমাণ ক্ৰেডিট উদ্বৃত্তৰ সৈতে সমান হৈছে নে নাই প্ৰমাণ কৰি চোৱা হয়। যদি ডেবিট স্তম্ভৰ পৰিমাণৰ ক্ৰেডিট স্তম্ভৰ পৰিমাণৰ সৈতে একে নহয় তেনেহলে এইটোৱে বুজা যায় যে হিচাপত ভুল সংঘটিত হৈছে। তেতিয়া সকলো হিচাপৰ উদ্বৃত্তৰ শুদ্ধতা পৰীক্ষা কৰি চাব লাগে। উল্লেখযোগ্য যে সকলো সম্পত্তিৰ হিচাপ, খৰচৰ হিচাপ আৰু পাবলগীয়া

আয়ৰ হিচাপৰ ডেবিট উদ্বৃত্ত থাকে আনহাতে সকলোবোৰ দেনাৰ হিচাপ, ৰাজহ হিচাপ, মূলধনৰ হিচাপ আৰু দিবলগীয়া খৰচৰ হিচাপ সমূহৰ ক্ৰেডিট উদ্বৃত্ত থাকে।

## 6.2 উদ্বৃত্ত মিলনপত্ৰ প্ৰস্তুত কৰাৰ উদ্দেশ্যসমূহ (Objectives of Preparing the Trial Balance)

উদ্বৃত্ত মিলন পত্ৰ তলত দিয়া উদ্দেশ্য সমূহ পূৰ্ণ কৰিবৰ বাবে প্ৰস্তুত কৰা হয়ঃ

(১) খতিয়ানৰ হিচাপসমূহৰ গাণিতিক শুদ্ধতা প্ৰমাণ কৰিবলৈ।

(২) হিচাপত সংঘটিত হোৱা ভুলসমূহৰ চিনাক্তকৰণত সহায়কৰা।

(৩) বিত্তীয় বিবৃতি প্ৰস্তুতকৰণত সহায় কৰিবৰ বাবে।

| *হিচাপৰ শিতান (Account title)* | *খ.পৃ. L.F* | *ডেবিট (টকা)* | *ক্ৰেডিট উদ্বৃত্ত (টকা)* |
|---|---|---|---|
| মূলধন (Capital) | | | ✓ |
| মাটি আৰু ভৱন (Land & building) | | ✓ | |
| কল- কব্জা আৰু যন্ত্ৰ-পাতি (Plants Machinery) | | ✓ | |
| সা-সৰঞ্জাম (Equipments) | | ✓ | |
| আচবাব পত্ৰ আৰু সংযুক্তি(Furniture & Fixtures) | | ✓ | |
| নগদ্ হাতে জমা (Cash in hand) | | ✓ | |
| বেংকত জমা (Cash at Bank) | | ✓ | |
| দেনাদাৰ (Debtors) | | ✓ | |
| প্ৰাপ্য বিল (Bill Receivable) | | ✓ | |
| কেঁচা সামগ্ৰীৰ মজুত (Stock of Raw Materials) | | ✓ | |
| অগ্ৰগতি হোৱা কাম (Work in progress) | | ✓ | |
| সামৰণী মজুত (Closing stock) | | ✓ | |
| অগ্ৰিম বীমা (Prepaid insurance) | | ✓ | |
| ক্ৰয় (Purchases) | | ✓ | |
| আগত পৰিবহন (Carriage inward) | | ✓ | |
| বৰ্হিগত পৰিবহন (Carriage outward) | | ✓ | |
| বিক্ৰী (Sales) | | | ✓ |
| বিক্ৰী ফিৰৎ (Sales Return) | | ✓ | |

| | | | |
|---|---|---|---|
| ক্ৰয় ফিৰৎ (Purchases Return) | | | ✓ |
| সুদ পৰিশোধ (Interest paid) | | ✓ | |
| দস্তুৰি / বাট্টা প্ৰাপ্ত (Commission/ Discount Received) | | | ✓ |
| দৰমহা (Salaries) | | ✓ | |
| দীৰ্ঘ ম্যাদী ঋণ (Long term loan) | | | ✓ |
| প্ৰদেয় বিল (Bills payable) | | | ✓ |
| পাওনাদাৰ (Creditors) | | | ✓ |
| অপ্ৰদত্ত দৰমহা (Outstanding salary) | | | ✓ |
| পাবলগীয়া সুদ (Outstanding interest) | | ✓ | |
| গ্ৰাহকৰ পৰা অগ্ৰিম প্ৰাপ্তি (Advances from Customer) | | | ✓ |
| আহৰণ (Drawings) | | ✓ | |
| সংৰক্ষিত পুঁজি (Reserve Fund) | | | ✓ |
| সন্দেহজনক ঋণ পুঁজি (Provision for Doubtful Debts) | | | ✓ |
| মুঠ | | XXX | XXX |

**Fig 6.2** *উদ্বৃত্ত মিলন পত্ৰৰ উদাহৰণ ।*

### *6.2.1 খতিয়ানৰ হিচাপসমূহৰ গাণিতিক শুদ্ধতা নিৰ্ধাৰণ (To ascertain the Arithmatical Accuracy of Ledger Accounts)*

আগতে উল্লেখ কৰা মতে, উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰাৰ উদ্দেশ্য হ'ল যে সকলোবোৰ ডেবিট আৰু ক্ৰেডিট শিতানসমূহ খতিয়নত শুদ্ধকৈ অন্তৰ্ভুক্ত কৰা হৈছিল নে নাই আৰু সকলোবোৰ হিচাপ শুদ্ধকৈ সন্তুলিত কৰা হৈছিল নে নাই তাক নিৰ্ণয় কৰা। উদ্বৃত্ত মিলন পত্ৰ হৈছে খতিয়নৰ উদ্বৃত্ত সমূহৰ চমু বিবৰণ। ই হৈছে বিভিন্ন হিচাপসমূহ আৰু সিহতৰ উদ্বৃত্তৰ এখন তালিকা। যেতিয়া ডেবিট উদ্বৃত্তৰ মুঠ পৰিমাণ ক্ৰেডিট উদ্বৃত্ত সমূহৰ মুঠ পৰিমাণৰ সৈতে মিলি যায়, তেন্তে এইটো ধৰি লোৱা হয় যে হিচাপ সমূহৰ খতিয়নভুক্তকৰণ আৰু সন্তুলন গাণিতিকভাবে শুদ্ধ। উদ্বৃত্ত মিলন পত্ৰৰ দুয়ো পক্ষৰ স্তম্ভৰ (অৰ্থাৎ ডেবিট স্তম্ভ আৰু ক্ৰেডিট স্তম্ভ)মুঠ পৰিমাণ সমান হোৱাটোৱে শুদ্ধ হিচাপ প্ৰক্ৰিয়াৰ প্ৰমাণক হব নোৱাৰে। উদ্বৃত্ত মিলন পত্ৰৰ দুয়োপক্ষৰ সামঞ্জস্যই কেৱল প্ৰতিটো ডেবিট প্ৰবিষ্টিৰ বিপৰীতে সমান পৰিমাণৰ ক্ৰেডিট প্ৰবিষ্টি খতিয়নত অন্তৰ্ভুক্ত হোৱাটোহে বুজায়।

### 6.2.2. *ভুলসমূহৰ স্থান নিৰ্ণয়ত সহায় কৰা (To Help in Locating errors)*

যেতিয়া এখন উদ্বৃত্ত মিলন পত্ৰ অমিল হয় (অৰ্থাৎ ডেবিট স্তম্ভ আৰু ক্ৰেডিট স্তম্ভ সমান পৰিমাণৰ নহয়) তেতিয়া আমি অতি কমেও এটা ভুল হিচাপত সংঘটিত হোৱা বুলি জানিব পাৰো। সাধাৰণতে তলত উল্লেখ কৰা হিচাপৰ বিভিন্ন স্তৰ সমূহত বিভিন্ন ধৰণৰ ভুলসমূহ সংঘটিত হোৱাৰ সম্ভাবনা থাকে। সেইবোৰ হ'ল - (1) সহায়কাৰী বহীসমূহৰ পৰিমাণ নিৰ্ধাৰণৰ সময়ত, (2) জাবেদাৰ পৰা প্ৰবিষ্টি সমূহ খতিয়নভুক্ত কৰণৰ সময়ত, (3) হিচাপৰ সন্তুলনৰ সময়ত, (4) বিভিন্ন হিচাপৰ উদ্বৃত্ত সমূহ উদ্বৃত্ত মিলন পত্ৰত অন্তৰ্ভুক্তিৰ সময়ত, (5) উদ্বৃত্ত মিলন পত্ৰৰ যোগফলৰ সময়ত।

এইটো উল্লেখ কৰিব পাৰি যে উদ্বৃত্ত মিলন পত্ৰৰ দুয়োপক্ষৰ সামঞ্জস্যতাই শুদ্ধ হিচাপ প্ৰক্ৰিয়াৰ নিশ্চয়তা দিব নোৱাৰে কাৰণ কিছুমান ভুলে উদ্বৃত্ত মিলন পত্ৰৰ ডেবিট আৰু ক্ৰেডিট স্তম্ভত সমানে প্ৰভাৱ নেপেলায়। উদাহৰণস্বৰূপে, হিচাপ ৰক্ষকে জাবেদাত প্ৰবিষ্টি দিয়াৰ সময়ত বা খতিয়নত জাবেদাৰ প্ৰবিষ্টি অন্তৰ্ভুক্তিৰ সময়ত নিৰ্দিষ্ট টকাৰে আন হিচাপত ডেবিট কৰা। এই ধৰণৰ ভুলে দুটা হিচাপৰ উদ্বৃত্তত প্ৰভাব পেলায় যদিও উদ্বৃত্ত মিলন পত্ৰ মিলি থাকে। উদ্বৃত্ত মিলন পত্ৰত প্ৰভাব নপৰা আন এটা ভুল হ'ল শুদ্ধ হিচাপলৈ অশুদ্ধ পৰিমাণৰ টকা সমানে ডেবিট আৰু ক্ৰেডিট কৰা। এইধৰণৰ ভুলে দুটা হিচাপৰ অশুদ্ধ উদ্বৃত্ত দেখুৱাই যদিও উদ্বৃত্ত মিলন পত্ৰত কোনো প্ৰভাব নেপেলায়। উল্লেখযোগ্য যে উদ্বৃত্ত মিলন পত্ৰৰ দুয়োপক্ষৰ সামঞ্জস্যতাকেই জাবেদাত শুদ্ধভাবে প্ৰবিষ্টিকৰণ আৰু শুদ্ধভাবে খতিয়নভুক্ত কৰাটো নিৰ্দেশ নকৰে। তথাপিও উদ্বৃত্ত মিলন পত্ৰ দুয়োপক্ষৰ সমান পৰিমাণে বিভিন্ন ধৰণৰ ভুলবোৰৰ উপস্থিতি নথকা বুজায়।

### 6.2.3 *বিত্তীয় বিবৃতি প্ৰস্তুতকৰণত সহায় কৰিবৰ বাবে (To Help in the preparation of the Financial Statement)*

উদ্বৃত্ত মিলন পত্ৰক হিচাপকৰণৰ তথ্য সমূহৰ আৰু বিত্তীয় বিবৃতিৰ প্ৰস্তুতকৰণৰ যোগাযোগৰ মাধ্যম হিচাপে বিবেচনা কৰিব পাৰি। বিত্তীয় বিবৃতি প্ৰস্তুত কৰাৰ বাবে খতিয়নসমূহৰ প্ৰয়োজন নহয়। প্ৰকৃতাৰ্থত এখন শুদ্ধ উদ্বৃত্ত মিলন পত্ৰক বিত্তীয় বিবৃতি প্ৰস্তুতকৰণৰ প্ৰথম পদক্ষেপ বুলি গণ্য কৰা হয়। উদ্বৃত্ত মিলন পত্ৰত উল্লেখ কৰা সকলো ৰাজহ আৰু খৰচৰ হিচাপসমূহ ব্যৱসায়ৰ ক্ৰয় বিক্ৰয় হিচাপ (Trading Account) আৰু লাভ-লোকচান হিচাপ (profit & loss) লৈ স্থানান্তৰ কৰা হয় আৰু সকলো দেনাৰ হিচাপ, মূলধনৰ হিচাপ আৰু সম্পত্তিৰ হিচাপসমূহ উদ্বৃত্ত পত্ৰলৈ স্থানান্তৰ কৰা হয়।

(নৱম আৰু দশম অধ্যায়ত বিত্তীয় বিবৃতি প্ৰস্তুত কৰাৰ বিষয়ে বিশদভাবে আলোচনা কৰা হ'ল)

### 6.3 উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুতকৰণ (Preparation of Trial Balance)

এখন উদ্বৃত্ত মিলন পত্ৰ তলত উল্লেখ কৰা তিনি ধৰণে প্ৰস্তুত কৰিব পাৰি ঃ-

(১) মুঠ যোগফল পদ্ধতি (Total Method)
(২) উদ্বৃত্ত পদ্ধতি (Balance Method)
(৩) মুঠ যোগফল আৰু উদ্বৃত্ত পদ্ধতি (Total cum-balance Method)

#### *6.3.1 মুঠ যোগফল পদ্ধতি (Total Balances Method)*

এই পদ্ধতি অনুসৰি, খতিয়ানৰ দুয়োটা দিশৰ (ডেবিট আৰু ক্ৰেডিট) যোগফলসমূহ বেলেগ বেলেগকৈ নিজৰ স্থান অনুসৰি উদ্বৃত্ত মিলন পত্ৰত উপস্থাপন কৰা হয়। উদ্বৃত্ত মিলন পত্ৰৰ ডেবিট স্তম্ভৰ মুঠ যোগফল ক্ৰেডিট স্তম্ভৰ মুঠ যোগফলৰ সৈতে সমান হ'ব লাগিব কাৰণ হিচাপসমূহে দ্বি-প্ৰবিষ্টি পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰে। উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুতকৰণৰ এই পদ্ধতিটো কৰ্মক্ষেত্ৰত বিশদভাৱে ব্যবহৃত নহয় যিহেতু এই পদ্ধতিয়ে বিভিন্ন হিচাপসমূহৰ উদ্বৃত্তবোৰৰ শুদ্ধতা প্ৰমাণত আৰু বিত্তীয় বিবৃতি প্ৰস্তুতকৰণত সহায় নকৰে ।

#### *6.3.2 উদ্বৃত্ত পদ্ধতি (Balance Method)*

এই পদ্ধতিটো বহুলভাৱে ব্যৱহৃত পদ্ধতি। এই পদ্ধতি অনুসৰি, হিচাপৰ শুদ্ধতা প্ৰমাণ কৰিবলৈ খতিয়নৰ বিভিন্ন হিচাপসমূহৰ উদ্বৃত্ত যথাস্থানত উপস্থাপন কৰি ডেবিট আৰু ক্ৰেডিট স্তম্ভৰ যোগফল উলিয়াই উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰা হয়। এই পদ্ধতিত খতিয়নৰ উদ্বৃত্ত সমূহ ব্যৱহৃত হোৱাৰ উদ্দেশ্য হ'ল যে ব্যৱসায়ত সংঘটিত হোৱা বিভিন্ন লেনদেনৰ শেষ প্ৰভাৱ খতিয়নৰ উদ্বৃত্তৰ সহায়ত জানিব পাৰি আৰু এই পদ্ধতিয়ে ব্যৱসায়ৰ চুড়ান্ত হিচাপ প্ৰস্তুত কৰাত সহায় কৰে। এই পদ্ধতিৰ আন এটা উল্লেখনীয় দিশ হ'ল যে, সাধাৰণতে দেনাদাৰ সকলৰ হিচাপ গাইগুটিয়াকৈ নেদেখুৱাই সকলোকে 'বিভিন্ন দেনাদাৰ' হিচাপে উপস্থাপন কৰা হয় তেনেদৰে পাওনাদাৰসকলক গাইগুটিয়াকৈ নেদেখুৱাই সকলোকে 'বিভিন্ন পাওনাদাৰ' হিচাপে উপস্থাপন কৰা হয়।

#### *6.3.3 মুঠ যোগফল-উদ্বৃত্ত পদ্ধতি (Total Cum Balances Method)*

এই পদ্ধতিটো হৈছে মুঠ যোগফল পদ্ধতি আৰু উদ্বৃত্ত পদ্ধতিৰ সংমিশ্ৰন। এই পদ্ধতি অনুসৰি টকাৰ পৰিমাণ লিখিবৰ বাবে চাৰিটা স্তম্ভ ব্যৱহাৰ কৰা হয়। ইয়াৰে দুটা স্তম্ভ বিভিন্ন হিচাপৰ মুঠ ডেবিট আৰু ক্ৰেডিটৰ পৰিমাণ লিখাৰ বাবে ব্যৱহাৰ কৰা হয় আৰু আন দুটি স্তম্ভ সেই হিচাপসমূহৰ

ডেবিট উদ্বৃত্ত আৰু ক্ৰেডিট উদ্বৃত্তসমূহ লিখাৰ বাবে ব্যৱহাৰ কৰা হয়। কিন্তু কাৰ্যক্ষেত্ৰত এই পদ্ধতি ব্যৱহাৰ কৰা দেখা নাযায় যিহেতু এই পদ্ধতিয়ে কোনো অতিৰিক্ত বা বিশেষ উদ্দেশ্য সাধন নকৰে আৰু ইয়াৰ প্ৰধান অসুবিধা হ'ল অতিমাত্ৰা সময়ৰ প্ৰয়োজনীয়তা ।

তলত উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰণৰ বিভিন্ন পদ্ধতিসমূহ উদাহৰণৰ সহায়ত দেখুওৱা হ'ল। মি: ৰাৱাটৰ ব্যৱসায়ৰ বিভিন্ন খতিয়নত থকা উদ্বৃত্তবোৰ তলত দিয়া হ'ল। তলত উল্লেখ কৰা পদ্ধতিসমূহ প্ৰয়োগকৰি তেওঁৰ ব্যৱসায়ৰ উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰা ঃ

১) মুঠ যোগফলপদ্ধতি (Total Method)
২) উদ্বৃত্ত পদ্ধতি (Balance Method)
৩) মুঠ যোগফল আৰু উদ্বৃত্ত পদ্ধতি (Total cum balance Method)

**মি : ৰাৱাটৰ মূলধন হিচাপ**

ডে : ক্ৰে :

| তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| 2005 ডিচেম্বৰ -31 | উদ্বৃত্ত নিয়া হ'ল | | 60000 | 2005 জানু-1 | উদ্বৃত্ত অনা হ'ল | | 40000 |
| | | | | | নগদ | | 20000 |
| | | | 60000 | | | | 60000 |
| | | | | 2006 জানু-1 | উদ্বৃত্ত অনা হ'ল | | 60000 |

**ৰোহনৰ হিচাপ**

ডে : ক্ৰে :

| তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমান |
|---|---|---|---|---|---|---|---|
| 2005 | নগদ | | 40000 | 2005 | | | |
| ডিচে-31 | উদ্বৃত্ত নিয়া হ'ল | | 20000 | জানু-1 | উদ্বৃত্ত অনা হ'ল | | 10000 |
| | | | | | ক্ৰয় | | 50000 |
| | | | 60000 | | | | 60000 |
| | | | | 2006 জানু-1 | উদ্বৃত্ত অনা হ'ল | | 20000 |

## যন্ত্ৰপাতি হিচাপ

ডে : ক্ৰে :

| তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| 2005 | | | | 2005 | | | |
| | | | | | অৱক্ষয় | | 3000 |
| ডিচে-31 | উদ্বৃত্ত নিয়া হ'ল | | 20000 | ডিচে-31 | উদ্বৃত্ত নিয়া হ'ল | | 17000 |
| | | | 20000 | | | | 20000 |
| 2006 | | | | | | | |
| জানু-1 | উদ্বৃত্ত নিয়া হ'ল | | 17000 | | | | |

## ৰাহুলৰ হিচাপ

ডে : ক্ৰে :

| তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| 2005 | | | | 2005 | | | |
| জানু-1 | উদ্বৃত্ত অনা হ'ল | | 15000 | | নগদ | | 55000 |
| | বিক্ৰয় | | 60000 | ডিচে-31 | উদ্বৃত্ত নিয়া হ'ল | | 20000 |
| | | | 75000 | | | | 75000 |
| 2006 | | | | | | | |
| জানু-1 | উদ্বৃত্ত অনা হ'ল | | 20000 | | | | |

## বিক্ৰয় হিচাপ

ডে : ক্ৰে :

| তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | | | | 2005 | | | |
| | | | | | ৰাহুল | | 60000 |
| | | | | | নগদ | | 10000 |
| | | | | | | | 70000 |

## নগদ হিচাপ

ডে : ক্ৰে :

| তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| 2005 | | | | 2005 | | | |
| জানু-1 | উদ্বৃত্ত অনা হ'ল | | 15000 | | ৰোহন | | 40000 |
| | মূলধন | | 20000 | | মজুৰি | | 5000 |
| | ৰাহুল | | 55000 | | ক্ৰয় | | 12000 |
| | বিক্ৰয় | | 10000 | ডিচে-31 | উদ্বৃত্ত নিয়া হ'ল | | 43000 |
| | | | 100000 | | | | 100000 |
| 2006 | | | | | | | |
| জানু-1 | উদ্বৃত্ত অনা হ'ল | | 43000 | | | | |

## মজুৰি হিচাপ

ডে : ক্ৰে :

| তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| 2005 | | | | | | | |
| | নগদ | | 5000 | | | | |
| | | | 5000 | | | | |

## অৱক্ষয় হিচাপ

ডে : ক্ৰে :

| তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: প: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| 2005 | | | | | | | |
| | নগদ | | | | | | |
| | যন্ত্ৰপাতি | | 3000 | | | | |
| | | | 3000 | | | | |

## ক্রয় হিচাপ

ডে : ক্রে :

| তাৰিখ | বিৱৰণ | জা পৃ | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা পৃ | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| 2005 | | | | | | | |
| | ৰোহন | | 50000 | | | | |
| | নগদ | | 12000 | | | | |
| | | | 62000 | | | | |

উদ্বৃত্ত মিলন পত্ৰ তলত দিয়া তিনি ধৰণে দেখুওৱা হ'ল।

### i) উদ্বৃত্ত মিলন পত্ৰ 31 মাৰ্চ, 2005 তাৰিখত
### (মুঠ যোগফল পদ্ধতি)

| হিচাপৰ শিতান | খ: পৃ: | ডেবিট উদ্বৃত্ত (টকা) | ক্ৰেডিট উদ্বৃত্ত (টকা) |
|---|---|---|---|
| মি:ৰাৱাটৰ মূলধন | | | 60,000 |
| ৰোহন | | 40000 | 60,000 |
| যন্ত্ৰপাতি | | 20000 | 3,000 |
| বাহুল | | 75,000 | 55,000 |
| বিক্ৰয় | | | 70,000 |
| নগদ | | 100000 | 57,000 |
| মজুৰি | | 5000 | - |
| অৱক্ষয় | | 3000 | - |
| ক্ৰয় | | 62000 | - |
| | | 3,05,000 | 3,05,000 |

(ii) উদ্বৃত্ত মিলন পত্ৰ 31 মাৰ্চ, 2005 তাৰিখত (উদ্বৃত্ত পদ্ধতি)

| হিচাপৰ শিতান | খঃ পৃঃ | ডেবিট উদ্বৃত্ত (টকা) | ক্ৰেডিট উদ্বৃত্ত (টকা) |
|---|---|---|---|
| মিঃৰাবাৰ্টৰ মূলধন | | - | 60000 |
| বোহন | | - | 20000 |
| যন্ত্ৰপাতি | | 17000 | - |
| ৰাহুল | | 20000 | - |
| বিক্ৰয় | | - | 70000 |
| নগদ | | 43000 | - |
| মজুৰি | | 5000 | - |
| অৱক্ষয় | | 3000 | - |
| ক্ৰয় | | 62000 | - |
| মুঠ | | 150000 | 150000 |

(iii) উদ্বৃত্ত মিলন পত্ৰ 31 মাৰ্চ, 2005 তাৰিখত (মুঠ যোগফল আৰু উদ্বৃত্ত পদ্ধতি)

| হিচাপৰ শিতান | খঃ পৃঃ | মুঠ ডেবিট (টকা) | মুঠ ক্ৰেডিট (টকা) | ডেবিট উদ্বৃত্ত (টকা) | ক্ৰেডিট উদ্বৃত্ত (টকা) |
|---|---|---|---|---|---|
| মিঃৰাবাৰ্টৰ মূলধন | | - | 60000 | - | 60000 |
| বোহন | | 40000 | 60000 | - | 20000 |
| যন্ত্ৰপাতি | | 20000 | 3000 | 17000 | - |
| ৰাহুল | | 75000 | 55000 | 20000 | - |
| বিক্ৰয় | | - | 70000 | - | 70000 |
| নগদ | | 100000 | 57000 | 43000 | - |
| মজুৰি | | 5000 | - | 5000 | - |
| অৱক্ষয় | | 3000 | - | 3000 | - |
| ক্ৰয় | | 62000 | - | 62000 | - |
| মুঠ | | 305000 | 305000 | 150000 | 150000 |

### কি বুজিলা চোৱা - I

তলত দিয়া উদ্বৃত্তসমূহৰ পৰা ডেবিট আৰু ক্ৰেডিট উদ্বৃত্ত নিৰ্ধাৰণ কৰা আৰু ৩১ মাৰ্চ, ২০০৫ তাৰিখত এখন উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰা।

| হিচাপৰ শিতান | টকাৰ পৰিমাণ |
|---|---|
| মূলধন | 100000 |
| আহৰণ | 16000 |
| যন্ত্ৰপাতি | 20000 |
| বিক্ৰয় | 200000 |
| ক্ৰয় | 210000 |
| বিক্ৰী ফিৰৎ | 20000 |
| ক্ৰয় ফিৰৎ | 30000 |
| মজুৰি | 40000 |
| সুনাম | 60000 |
| সুদ প্ৰাপ্তি | 15000 |
| প্ৰদত্ত বাট্টা | 6000 |
| বেংক জমাতিৰিক্ত | 22000 |
| বেংকৰ ঋণ | 90000 |
| দেনাদাৰঃ | |
| নাথু | 55000 |
| ৰূপা | 20000 |
| পাওনাদাৰঃ | |
| ৰিণা | 35000 |
| গণেশ | 25000 |
| নগদ | 54000 |
| 1 এপ্ৰিল, 2004 তাৰিখত মজুত | 16000 |

## 6.4 উদ্বৃত্ত মিলন পত্ৰৰ মিলনৰ তাৎপৰ্য (Significance of Agreement of Trial Balance)

এজন হিচাপ ৰক্ষকৰ বাবে উদ্বৃত্ত মিলন পত্ৰখন শুদ্ধ হোৱাটো প্ৰয়োজনীয়। সাধাৰণতে এখন শুদ্ধ উদ্বৃত্ত মিলন পত্ৰই ব্যৱসায়ত সংঘটিত হোৱা বিভিন্ন লেনদেনৰ ডেবিট আৰু ক্ৰেডিট প্ৰবিষ্টিসমূহ সঠিক ৰূপত লিখাকে বুজায়। যদিও, আগতে উল্লেখ কৰা ধৰণে এখন মিলন থকা উদ্বৃত্ত মিলন পত্ৰই হিচাপৰ সম্পূৰ্ণ প্ৰক্ৰিয়াটো শুদ্ধ হোৱাটো নুবুজায়। এখন উদ্বৃত্ত মিলন পত্ৰই জাবেদাৰ

প্ৰবিষ্টিসমূহ নিয়াৰিকৈ খতিয়নভুক্তকৰণৰ প্ৰমাণ দাঙি ধৰে। কিন্তু এইটোৱে প্ৰবিষ্টিসমূহৰ শুদ্ধতা নিশ্চয়তা প্ৰদান কৰিব নোৱাৰে। কিছুমান এনেকুৱা ভুল হব পাৰে যিয়ে প্ৰবিষ্টিৰ ডেবিট আৰু ক্ৰেডিট দিশত সমানে প্ৰভাব পেলায় আনহাতে আন কিছুমান ভুল দেখা যায় যিয়ে প্ৰবিষ্টিসমূহৰ ডেবিট আৰু ক্ৰেডিট দিশত সমানে প্ৰভাব নেপেলায়। সাধাৰণতে সংঘটিত হোৱা কিছুমান ভুল হ'ল ঃ

- উদ্বৃত্ত মিলন পত্ৰৰ ডেবিট আৰু ক্ৰেডিট দিশৰ মুঠ যোগফল উলিওৱাত হোৱা ভুল,
- সহায়কাৰী বহীৰ যোগফল উলিওৱাত হোৱা ভুল,
- সহায়কাৰী বহীৰ যোগফল খতিয়ানভূক্ত কৰোতে হোৱা ভুল,
- হিচাপৰ উদ্বৃত্তসমূহ উদ্বৃত্ত মিলন পত্ৰৰ ভুল দিশত আৰু ভুল পৰিমাণেৰে উপস্থাপন কৰা ভুল,
- উদ্বৃত্ত মিলন পত্ৰত কোনো হিচাপৰ উদ্বৃত্ত লিখিব পাহৰি যোৱা,
- খতিয়নৰ কোনো হিচাপৰ উদ্বৃত্ত গণনা কৰোতে হোৱা ভুল,
- এটা জাবেদা প্ৰবিষ্টি খতিয়নভুক্ত কৰাত হোৱা ভুল ঃ এটা জাবেদা প্ৰবিষ্টি শুদ্ধ ভাবে খতিয়নভুক্ত নহ'বও পাৰে। যেনে, খতিয়নভুক্ত কাৰণ ভুল পৰিমাণৰ টকাৰে হোৱা নাইবা হিচাপৰ ভুল দিশত লিখা অথবা ভুল হিচাপত অন্তৰ্ভুক্ত কৰা।
- কোনো লেনদেন জাবেদাত প্ৰবিষ্টিকৰণ কৰোতে হোৱা ভুল ঃ বিপৰীত প্ৰবিষ্টি দিয়া, যেনে হিচাপ ডেবিটৰ পৰিৱৰ্তে ক্ৰেডিট্ কৰা আৰু টকাৰ পৰিমাণ ক্ৰেডিটৰ পৰিৱৰ্তে ডেবিট কৰা বা অশুদ্ধ টকাৰ পৰিমাণেৰে প্ৰবিষ্টি দিয়া।
- সহায়কাৰী বহীত লেনদেন সমূহ অশুদ্ধ নামেৰে বা ভুল টকাৰ পৰিমাণেৰে লিপিবদ্ধ কৰাত হোৱা ভুল।

### *6.4.1 ভুলৰ শ্ৰেণীবিভাগ (Classification of Errors)*

ভুলৰ প্ৰকৃতি অনুসৰি, ভুলসমুহক তলত উল্লেখ কৰা চাৰিভাগত ভাগ কৰিব পাৰি

- অশুদ্ধ প্ৰবিষ্টিৰ ভুল (Errors of commission)
- বাদ পৰি যোৱা ভুল (Errors of omission)
- নীতিগত ভুল, (Errors of principle)
- পৰিপূৰক বা সম্পূৰক ভুল (Compensating errors)

### *6.4.2 অশুদ্ধ প্ৰবিষ্টিৰ ভুল (Errors of Commission)*

এই ধৰণৰ ভুল সমূহ হৈছে, লেনদেন ভুলকৈ খতিয়নভুক্তকৰণ, ভুলকৈ যোগফল নিৰ্ধাৰণ কৰাত বা হিচাপৰ উদ্বৃত্ত নিৰ্ধাৰণ কৰাত, সহায়কাৰী বহীত ভুলকৈ লিপিবদ্ধ কৰা বা প্ৰাথমিক বহীত

ভুলকৈ টকাৰ পৰিমাণ লিপিবদ্ধ কৰা ইত্যাদি। উদাহৰণস্বৰূপে, ৰাজহংস ট্ৰেডাৰ্ছে নগদ ২৫০০০ টকা প্ৰীতপাল ট্ৰেডাৰ্ছক দিলে (সামগ্ৰীৰ যোগানধৰোতা)। এই লেনদেনটো শুদ্ধভাৱে নগদ বহীত লিপিবদ্ধ কৰা হ'ল। কিন্তু যেতিয়া খতিয়নভূক্ত কৰা হ'ল প্ৰীতপাল ট্ৰেডাৰ্ছৰ হিচাপ মাত্ৰ নগদ ২৫০০ টকাৰে ডেবিট কৰা হ'ল। ইয়াৰ দ্বাৰাই অশুদ্ধ প্ৰবিষ্টিৰ ভুল সংঘটিত হ'ল। এই ধৰণৰ ভুলসমূহ হিচাপ লিখনৰ ভুলৰ প্ৰকৃতি আৰু বেছিভাগ কৰ্মাত্মক ভুলে উদ্বৃত্ত মিলন পত্ৰত প্ৰভাব পেলায়।

### *6.4.3 বাদ পৰি যোৱা ভুল (Errors of Omission)*

বাদ পৰি যোৱা ভুল সাধাৰণতে লেনদেনবোৰ প্ৰাথমিক বহীত প্ৰবিষ্টি দিয়াৰ সময়ত বা প্ৰবিষ্টি সমূহ খতিয়নভুক্ত কৰাৰ সময়ত সংঘটিত হয়। এই ভুল দুটা ধৰণৰ -

(১) সম্পূৰ্ণ ভাবে বাদ পৰি যোৱা ভুল,

(২) আংশিক ভাবে বাদ পৰি যোৱা ভুল।

যেতিয়া এটা লেনদেন সম্পূৰ্ণভাবে প্ৰাথমিক বহীত লিপিবদ্ধ কৰাৰ পৰা বাদ পৰি যায় তেতিয়া ইয়াক সম্পূৰ্ণ বাদ পৰি যোৱা হোৱা ভুল বুলি জনা যায়। উদাহৰণস্বৰূপে, মোহনৰ ওচৰত 10000 টকাৰ সামগ্ৰী বাকীত বিক্ৰী কৰা, বিক্ৰীৰ বহীত লিপিবদ্ধকৰা ন'হল। যেতিয়া এটা লেনদেন আংশিকভাবে হিচাপৰ বহীত লিপিবদ্ধ কৰা নহয়, তেনে ভুলক আংশিক ভাবে বাদ পৰি যোৱা ভুল বুলি বিবেচিত কৰা হয়। ওপৰত উল্লেখ কৰা উদাহৰণটোৰ যদি বাকীত বিক্ৰীৰ পৰিমাণ 'বিক্ৰী বহীত' লিপিবদ্ধ কৰা হ'ল কিন্তু মোহনৰ হিচাপত বিক্ৰী বহীৰ পৰা খতিয়নভুক্তকৰণ নহ'ল। এইধৰণৰ ভুলক আংশিক ভাবে বাদ পৰি যোৱা ভুল বুলি বিবেচিত কৰা হয়।

### *6.4.4 নীতিগত ভুল (Errors of Principle)*

হিচাপৰ প্ৰবিষ্টিসমূহ 'সৰ্বসাধাৰণৰ দ্বাৰা গৃহীত হিচাপ কৰণৰ নীতি' অনুসৰি লিপিবদ্ধ কৰা হয়। যদিহে এই নীতিবোৰ উলংঘা বা এৰাই চলা হয় তেতিয়া সংঘটিত হোৱা ভুলবোৰক হিচাপৰ 'নীতিগত ভুল' বুলি বিবেচনা কৰা হয়। নীতিগত ভুল সাধাৰণতে ব্যৱসায়ৰ আয় আৰু ব্যয় অশুদ্ধকৈ মূলধনী আৰু ৰাজহ হিচাপে শ্ৰেণীবিভাগ কৰাত সংঘটিত হয়। আয় আৰু ব্যয়ৰ সঠিক শ্ৰেণীবিভাজন অতি গুৰুত্ব পূৰ্ণ যিহেতু এই শ্ৰেণীবিভাজনে ব্যৱসায়ৰ বিত্তীয় বিবৃতিত প্ৰভাব পেলায়। এই ভুলৰ ফলস্বৰূপে আয় বা ব্যয় আৰু সম্পত্তি বা দেনা কম বেছি হাৰত লিপিবদ্ধ হবও পাৰে। উদাহৰণস্বৰূপে, ঘৰ সম্প্ৰসাৰণৰ ব্যয় মূলধনী ব্যয় হিচাপে বিবেচিত কৰি সম্পত্তি হিচাপত ডেবিট

কৰিব লাগে। ইয়াৰ পৰিৱৰ্তে যদি সম্প্ৰসাৰণৰ ব্যয় মেৰামতি হিচাপত ডেবিট কৰা হয় তেতিয়া এই ব্যয়ক ৰাজস্ব ব্যয় হিচাবে বিবেচিত কৰা হ'ব। এইটোৱে হৈছে নীতিগত ভুল। ঠিক তেনেদৰে বাকীত কিনা যন্ত্ৰপাতি প্ৰকৃত জাবেদাৰ পৰিৱৰ্তে যদি ক্ৰয় বহীত লিপিবদ্ধ কৰা হয় বা মূৰৰ মালিকক দিয়া ঘৰভাড়া নগদ বহীত মালিকৰ হিচাপত দেখুওৱা হয়। এই ভুলবিলাক নীতিগত ভুল। এইবোৰভুলে উদ্বৃত্ত মিলন পত্ৰত প্ৰভাৱ নেপেলায়।

### 6.4.5 *পৰিপূৰক বা সম্পূৰক ভুল (Compensating Errors)*

যেতিয়া দুটা বা তাতোধিক ভুল একেলগে সংঘটিত হয় আৰু যাৰ সমুদায় প্ৰভাৱ হিচাপসমূহৰ ডেবিট আৰু ক্ৰেডিট দিশত নপৰে, তেনে ভুলবোৰক পৰিপূৰক ভুল বুলি কোৱা হয়। এই ভুলবোৰে উদ্বৃত্ত মিলন পত্ৰৰ যোগফলত প্ৰভাৱ নেপেলায়। উদাহৰণস্বৰূপে, যদি ক্ৰয় বহী বেছিকৈ ১০০০০ টকাৰে ডেবিট কৰা হয় তেতিয়া ক্ৰয় হিচাপে ১০০০০ টকাৰে অধিক ডেবিট দেখুৱাব আৰু 'বিক্ৰী ফিৰং' বহী যদি কমকৈ ১০০০০ টকাৰে ডেবিট কৰা হয় তেতিয়া 'বিক্ৰী ফিৰং' বহী ১০০০০ টকাৰে কমকৈ ডেবিট দেখুৱাব আৰু এই ভুলেই হৈছে পৰিপূৰক ভুল যিহেতু এটা ভুলৰ প্ৰভাৱে আনটো ভলৰ প্ৰভাৱৰ পৰিপূৰক হৈছে। এটা হিচাপৰ আধিক্যৰ পৰিমাণ আন এটা হিচাপৰ হ্ৰাসৰ পৰিমাণৰ জৰিয়তে পৰিপূৰক কৰা হৈছে আৰু এই দুয়োটা ভুলৰ অৱশেষ প্ৰভাৱ শূণ্য। সেয়েহে এইধৰণৰ ভুলে উদ্বৃত্ত মিলন পত্ৰৰ দুয়োটা দিশ সমান হোৱাত প্ৰভাৱ নেপেলায়।

### 6.5 *ভুলৰ অনুসন্ধান (Searching of Errors)*

উদ্বৃত্ত মিলন পত্ৰ যদি মিলি নাযায়, তেতিয়া ইয়ে হিচাপ প্ৰক্ৰিয়াত অতি কমেও এটি ভুল সংঘটিত হোৱা বুজায়। ব্যৱসায়ৰ বিত্তীয় বিবৃতি প্ৰস্তুত কৰাৰ আগতে হিচাপত হোৱা ভুলবোৰ উলিয়াই কৰি সেইবোৰ শুধৰণি কৰাৰ প্ৰয়োজন।

যদি এখন উদ্বৃত্ত মিলন পত্ৰ অমিল হয় তেতিয়া হিচাপ ৰক্ষকজনে হিচাপত হোৱা ভুলৰ অস্তিত্ব আৰু অৱস্থান নিৰূপণৰ বাবে তলত দিয়া পদক্ষেপসমূহ গ্ৰহণ কৰিব লাগে।

- উদ্বৃত্ত মিলন পত্ৰৰ ডেবিট আৰু ক্ৰেডিট দিশৰ যোগফল পুনৰ পৰীক্ষা কৰা।
- উদ্বৃত্ত মিলন পত্ৰত উল্লেখ কৰা হিচাপৰ বিভিন্ন শিতান আৰু ধনৰ পৰিমাণ খতিয়নত উল্লেখ কৰা বিভিন্ন হিচাপৰ শিতান আৰু ধনৰ পৰিমাণৰ সৈতে মিলাই চাব লাগে যাতে যিকোনো পৰিমাণৰ ধনৰ পাৰ্থক্য বা হিচাপৰ বিচ্যুতিজনিত ভুল ধৰা পৰে।

- চলিত বৰ্ষৰ উদ্বৃত্ত মিলন পত্ৰখন পূৰ্ববৰ্তী বৰ্ষৰ উদ্বৃত্ত মিলন পত্ৰৰ লগত তুলনা কৰিব লাগে যাতে অতিৰিক্ত নতুন হিচাপৰ অন্তৰ্ভুক্তি বা বাদ পৰি যোৱা হিচাপৰ সত্যতা নিৰূপণ অনাকাংশিত আৰু ব্যাখ্যা নকৰাকৈ বৃহৎ পৰিমাণৰ ধনৰ পাৰ্থক্য দেখা যায় নেকি তাক পৰীক্ষা কৰা।
- খতিয়নৰ হিচাপসমূহৰ উদ্বৃত্ত গাইগুটীয়াকৈ পুনৰ পৰীক্ষা কৰিব লাগে।
- প্ৰথমিক বহীৰ প্ৰবিষ্টিসমূহ খতিয়নভুক্ত কৰাৰ শুদ্ধতা পুনৰ পৰীক্ষা কৰিব লাগে।
- ডেবিট আৰু ক্ৰেডিট দিশৰ পাৰ্থক্যৰ পৰিমাণক যদি দুই সংখ্যাৰে সম্পূৰ্ণৰূপে ভাগ কৰিব পাৰি, তেতিয়া পাৰ্থক্যৰ পৰিমাণৰ আধাৰ সমান টকাৰে আন এটা খতিয়নৰ ভুল দিশত খতিয়নভূক্ত কৰা বুজাব পাৰে। উদাহৰণস্বৰূপে, যদি উদ্বৃত্ত মিলন পত্ৰৰ ডেবিট দিশৰ ধনৰ পৰিমাণ ক্ৰেডিট দিশৰ ধনৰ পৰিমাণতকৈ যদি ১৫০০ টকা বেছি হয়, তেতিয়া ৭৫০ টকাৰ ক্ৰেডিট প্ৰবিষ্টি ভুলবশত: ডেবিট দিশত খতিয়নভূক্ত কৰাৰ সম্ভাবনা থাকে। এইধৰণৰ ভুল নিৰ্ধাৰণ কৰাৰ বাবে হিচাপ ৰক্ষকে ডেবিট দিশত থাকিব পৰা ৭৫০ টকাৰ প্ৰবিষ্টি নিৰীক্ষণ কৰিব লাগে ওপৰোক্ত ভুল কোনো প্ৰবিষ্টি খতিয়নভূক্তকৰণৰ সময়ত বিচ্যুতি জনিত কাৰণত হোৱাও বুজাব পাৰে। উদাহৰণস্বৰূপে, উল্লেখিত পাৰ্থক্যৰ পৰিমাণ ১৫০০ টকা খতিয়নত ক্ৰেডিট প্ৰবিষ্টি অন্তৰ্ভুক্ত নকৰাৰ বাবেও হব পাৰে। তেতিয়া হিচাপৰক্ষকে ১৫০০ টকাৰ পৰিমাণৰ ক্ৰেডিট প্ৰবিষ্টিসমূহ পৰীক্ষা কৰি চাব লাগে।
- যদি পাৰ্থক্যৰ কৰিমাণ ৯ সংখ্যা ৰে সম্পূৰ্ণৰূপে ভাগ কৰিব পাৰি তেতিয়া তেনে ভুল সাংখ্যিক পৰিবৰ্তনৰ বাবে হব পাৰে। উদাহৰণস্বৰূপে, ডেবিট ধনৰ পৰিমাণ যদি ৪৫৯ টকাৰ পৰিবৰ্তে ৯৫৪ টকাৰে খতিয়নভূক্তকৰণ হয়, তেতিয়া, উদ্বৃত্ত মিলন পত্ৰৰ ডেবিট শিতানৰ পৰিমাণ ৪৯৫ টকা (৯৫৪-৪৫৯) ৰে অধিক্য হোৱা দেখা যায় আৰু এই পাৰ্থক ৯ সংখ্যাৰে সম্পূৰ্ণ ভাবে ভাগ কৰিব পাৰি। এই পদ্ধতিৰ জৰিয়তে দশমিকত লিখা সংখ্যাৰে ভুলৰ পৰিমাণও পৰীক্ষা কৰিব পাৰি। সেয়েহে উদ্বৃত্ত মিলন পত্ৰৰ পাৰ্থক্যৰ পৰিমাণ যদি ৯ সংখ্যাৰে ভাগ কৰিব পাৰি তেতিয়া সাংখ্যিক পৰিবৰ্তনৰ বাবে হোৱা ভুলসমূহ পৰীক্ষা কৰাত সহায় হয়।

## 6.6 ভুলৰ শুধৰণি (Rectification of errors)

শুধৰণিৰ ফালৰ পৰা লক্ষ্য কৰিলে ভুলৰ শ্ৰেণীবিভাগ তলত দিয়া দুই ধৰণে কৰিব পাৰি।

(১) উদ্বৃত্ত মিলন পত্ৰত প্ৰভাব পেলাব নোৱাৰা ভুল,

(২) উদ্বৃত্ত মিলন পত্ৰত প্ৰভাব পেলোৱা ভুল।

এই শ্ৰেণীবিভাজন এইবাবে গুৰুত্বপূৰ্ণ যে যিবিলাক ভুলে উদ্বৃত্ত মিলন পত্ৰত প্ৰভাবে নেপেলায় সাধাৰণতে তেনে ভুল দুটা হিচাপত সংঘটিত হয় আৰু তেনে ভুল অতি সহজে জাবেদা প্ৰবিষ্টিৰ

জৰিয়তে শুধৰণি কৰিব পাৰি। আনহাতে যিবিলাক ভুলে উদ্বৃত্ত মিলন পত্ৰত প্ৰভাব পেলায়, এনে ভুল সাধাৰণতে এটা হিচাপত হোৱা দেখা যায় আৰু ইয়াক স্থগিত হিচাপ নোখোলাকৈ সাধাৰণ জাবেদাৰ প্ৰবিষ্টিৰ জৰিয়তে শুধৰণি কৰিব নোৱাৰি।

### *6.6.1 উদ্বৃত্ত মিলন পত্ৰত প্ৰভাৱ নেপেলোৱা ভুলৰ শুধৰণি (Rectification of errors which do not affect the trial Balance)*

এই ধৰণৰ ভুল দুটা বা তাতোধিক হিচাপত সংঘটিত হয়। এনে ধৰণৰ ভুলক দ্বৈত দিশৰ ভুল বুলিও কোৱা হয়। এই ধৰণৰ ভুল জাবেদা প্ৰবিষ্টিৰ জৰিয়তে নিৰ্দিষ্ট হিচাপত ডেবিট আৰু ক্ৰেডিট কৰি শুধৰণি কৰিব পাৰি। এনে ভুলৰ উদাহৰণসমূহ হ'ল - প্ৰাথমিক বহীত জাবেদাসমূহ সম্পূৰ্ণভাবে নিলিখাৰ ভুল; হিচাপৰ বহীত লেনদেনসমূহ ভুলকৈ প্ৰবিষ্টি কৰা; জাবেদা প্ৰবিষ্টি সম্পূৰ্ণকৈ খতিয়নভুক্ত নকৰা আৰু নীতিগত ভুল।

**ভুলৰ শুধৰণি প্ৰক্ৰিয়াত তলত দিয়া পদক্ষেপসমূহ আৱশ্যকীয় ঃ**

- বিপৰীত প্ৰবিষ্টিৰ জৰিয়তে ভুলে প্ৰভাৱ পেলোৱা অশুদ্ধ ডেবিট আৰু ক্ৰেডিটসমূহ নাকচ কৰা আৰু
- প্ৰবিষ্টিসমূহৰ শুদ্ধ প্ৰভাৱ ডেবিট আৰু ক্ৰেডিট দিশত সন্নিবিষ্ট কৰা।

ভুলৰ শুধৰণিৰ বাবে, আমি ভুলসমূহ বিশ্লেষণ কৰি চাব লাগে যাতে ভুলৰ প্ৰভাৱ হিচাপত তলত উল্লেখ কৰা কোন শ্ৰেণীত পৰে ঃ

(১) হিচাপত কমকৈ ডেবিট বা ক্ৰেডিট কৰা আৰু /

(২) হিচাপত বেছিকৈ ডেবিট বা ক্ৰেডিট কৰা।

গতিকে শুধৰণি প্ৰবিষ্টি তলত দিয়া ধৰণে কৰিব পাৰি ঃ

(১) আগতে কমকৈ ডেবিট বা বেছিকৈ ক্ৰেডিট কৰা হিচাপ ডেবিটৰ জৰিয়তে,

(২) আগতে বেছিকৈ ডেবিট বা কমকৈ ক্ৰেডিট কৰা হিচাপ ক্ৰেডিটৰ জৰিয়তে।

তলত দিয়া উদাহৰণসমূহৰ সহায়ত হিচাপৰ এনেধৰণৰ ভুলৰ শুধৰণিৰ পদ্ধতি উল্লেখ কৰা হ'ল।

**(a)** মোহনৰ ওচৰত বাকীত বিক্ৰী কৰা 10000 টকাৰ সামগ্ৰী বিক্ৰয় বহীত লিপিবদ্ধ কৰা নহল। এইটো হৈছে সম্পূৰ্ণ ভাবে বাদ পৰি যোৱা ভুল। ইয়াৰ ফলত মোহনৰ হিচাপ ডেবিট আৰু বিক্ৰয় হিচাপ ক্ৰেডিট কৰা নহ'ল। এই ভুল সাধাৰণতে দিয়া বাকীত বিক্ৰী প্ৰবিষ্টিৰ জৰিয়তে শুধৰণি কৰা হয়।

| | | | |
|---|---|---|---|
| মোহন | ডে: | 10000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 10000 |

(b) মোহনৰ ওচৰত 10000 টকাৰ সামগ্ৰী বাকীত বিক্ৰী কৰা হৈছিল যিটো বিক্ৰী বহীত 1000 টকাৰে লিপিবদ্ধ কৰা হৈছিল। ই হৈছে এবিধ অশুদ্ধ প্ৰবিষ্টি ভুল। ভুলকৈ লিপিবদ্ধ কৰণৰ প্ৰভাবটো তলত দিয়া ধৰণে হ'ব ঃ

| | | | |
|---|---|---|---|
| মোহন | ডে: | 1000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 1000 |

**শুদ্ধ প্ৰভাৱ তলত দিয়া ধৰণে হ'ব লাগে ঃ**

| | | | |
|---|---|---|---|
| মোহন | ডে: | 10000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 10000 |

এতিয়া মোহনৰ হিচাপ অতিৰিক্ত 9000 টকাৰে ডেবিট আৰু বিক্ৰয় হিচাপ অতিৰিক্ত 9000 টকাৰে ক্ৰেডিট কৰিব লাগিব। শুধৰণি প্ৰবিষ্টিটো হব এনেধৰণেঃ

| | | | |
|---|---|---|---|
| মোহন | ডে: | 9000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 9000 |

(c) 10000 টকা মূল্যৰ সামগ্ৰী মোহনলৈ বাকীত বিক্ৰী কৰা লেনদেনটো 12000 টকাৰে লিপিবদ্ধ কৰা হৈছিল। এইটো এটা কৰ্ম্যাত্মক ভুল। লেনদেনটোৰ প্ৰবিষ্টিকৰণ এনেধৰণে কৰা হৈছিল ঃ

| | | | |
|---|---|---|---|
| মোহন | ডে: | 12000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 12000 |

**শুদ্ধ প্ৰবিষ্টিটো এনেধৰণৰ হব লাগিছিল ঃ**

| | | | |
|---|---|---|---|
| মোহন | ডে: | 10000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 10000 |

আমি দেখা পাওঁ যে মোহনৰ হিচাপত 2000 টকাৰ আধিক্য ডেবিট আৰু বিক্ৰয় হিচাপত 2000 টকাৰ অধিক্য ক্ৰেডিট আছে। শুধৰণি প্ৰবিষ্টিটো তলত দিয়া ধৰণে লিপিবদ্ধ কৰা হব ঃ

| | | | |
|---|---|---|---|
| বিক্ৰয় হিচাপ | ডেঃ | 2000 | |
| প্ৰতি মোহন | | | 2000 |

(d) মোহনলৈ বাকীত বিক্ৰী কৰা 10000 টকা মূল্যৰ সামগ্ৰীৰ লেনদেনটো বিক্ৰয় বহীত শুদ্ধভাৱে লিপিবদ্ধ কৰা হৈছিল কিন্তু ৰামৰ হিচাপত খতিয়নভুক্ত কৰা হৈছিল। এইটো এটা ভুল। ভুলকৈ খতিয়নভুক্ত কৰাৰ প্ৰভাৱটো হৈছে ঃ

| | | | |
|---|---|---|---|
| ৰাম | ডেঃ | 10000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 10000 |

**শুদ্ধ প্ৰভাৱটো এনে হ'ব লাগিছিলঃ**

| | | | |
|---|---|---|---|
| মোহন | ডেঃ | 10000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 10000 |

এইটো লক্ষণীয় যে বিক্ৰয় হিচাপত কোনো ভুল হোৱা নাই। কিন্তু মোহনৰ হিচাপৰ পৰিবৰ্তে 10000 টকাৰে ৰামৰ হিচাপত ডেবিট কৰা হৈছে।
গতিকে শুধৰণি প্ৰবিষ্টিটো হব ঃ

| | | | |
|---|---|---|---|
| মোহন | ডেঃ | 10000 | |
| প্ৰতি ৰাম | | | 10000 |

(e) নগদ বহীত ভুলকৈ 2000 টকা ঘৰভাড়া পৰিশোধ কৰাৰ পৰিবৰ্তে ঘৰৰ মালিকক পৰিশোধ কৰা দেখুওৱা হ'ল ঃ
ভুলকৈ খতিয়নভুক্ত কৰাৰ প্ৰভাৱটো হৈছে ঃ

| | | | |
|---|---|---|---|
| ঘৰৰ মালিক হিচাপ | ডেঃ | 2000 | |
| প্ৰতি নগদ হিচাপ | | | 2000 |

শুদ্ধ প্ৰভাবটো হ'ব লাগে ঃ

| | | | |
|---|---|---|---|
| ঘৰ ভাড়া হিচাপ | ডেঃ | 2000 | |
| প্ৰতি নগদ হিচাপ | | | 2000 |

ইয়াত ঘৰভাড়া হিচাপৰ পৰিবৰ্তে ভুলকৈ ঘৰৰ মালিকৰ হিচাপ ডেবিট হৈছে। গতিকে, শুধৰণি প্ৰবিষ্টিটো হ'ব ঃ

| | | | |
|---|---|---|---|
| ঘৰ ভাড়া হিচাপ | ডেঃ | 2000 | |
| প্ৰতি ঘৰৰ মালিক হিচাপ | | | 2000 |

### কি বুজিলা কোৱা-II

তলৰ লেনদেনসমূহৰ শুধৰণি প্ৰবিষ্টি লিপিবদ্ধ কৰা।

1. ৰজনীলৈ বাকীত বিক্ৰী কৰা 500 টকাৰ সামগ্ৰী ক্ৰয় বহীত লিপিবদ্ধ কৰা হ'ল ঃ
   এইটো এটা ..........................ভুল।
   হিচাপৰ বহীত ভুলকৈ লিপিবদ্ধ কৰা প্ৰবিষ্টিটো উল্লেখ কৰা-

| | | |
|---|---|---|
| | | |
| | | |

শুদ্ধ প্ৰবিষ্টিটো হ'ব লাগিছিল ঃ

| | | |
|---|---|---|
| | | |
| | | |

শুধৰণি প্ৰবিষ্টিটো হৈছে ঃ

| | | |
|---|---|---|
| | | |
| | | |
| | | |

2. মেচাৰ্ছ ৰাও ফাৰ্নিছিং ৰ পৰা 8000 টকামূল্যৰ আচবাব ক্ৰয় কৰা হৈছিল আৰু ইয়াক ক্ৰয় বহীত অন্তভুক্ত কৰা হৈছিল ঃ

এইটো হৈছে ......................... ভুল।

হিচাপৰ বহীত লিপিবদ্ধ কৰা অশুদ্ধ প্ৰবিষ্টিটো উল্লেখ কৰা ঃ

| | | |
|---|---|---|
| | | |
| | | |

শুদ্ধ প্ৰবিষ্টিটো হ'ব লাগিছিল ঃ

| | | |
|---|---|---|
| | | |
| | | |

শুধৰণি প্ৰবিষ্টিটো হ'ব ঃ

| | | |
|---|---|---|
| | | |
| | | |

3. ৰাধিকালৈ নগদ 15000 টকাৰ বিক্ৰীৰ লেনদেনটো নগদ বহীত প্ৰাপ্ত দস্তুৰি হিচাপত দেখুওৱা হ'ল ঃ

এইটো হৈছে .........................ভুল।

হিচাপৰ বহীত ভুলকৈ লিপিবদ্ধ কৰা প্ৰবিষ্টিটো উল্লেখ কৰা ঃ

| | | |
|---|---|---|
| | | |
| | | |

শুদ্ধ প্ৰবিষ্টিটো হ'ব লাগিছিল ঃ

| | | |
|---|---|---|
| | | |
| | | |

শুধৰণি প্ৰবিষ্টিটো হৈছে ঃ

| | | |
|---|---|---|
| | | |
| | | |

4. কৰিমৰ পৰা পোৱা নগদ 600 টকা নদিমৰ হিচাপত খতিয়নভুক্ত কৰা হৈছিল। এইটো হৈছে .................. ভুল। হিচাপৰ বহীত ভুলকৈ লিপিবদ্ধ কৰা প্ৰবিষ্টিটো উল্লেখ কৰা ঃ

| | | |
|---|---|---|
| | | |
| | | |

শুদ্ধ প্ৰবিষ্টিটো হ'ব লাগিছিল ঃ

| | | |
|---|---|---|
| | | |
| | | |

শুধৰণি প্ৰবিষ্টিটো হ'ব ঃ

| | | |
|---|---|---|
| | | |
| | | |

### *6.6.2. উদ্বত্ত মিলন পত্ৰক প্ৰভাৱিত কৰা ভুলসমূহৰ শুধৰণি (Rectification of errors affecting trial balance)*

যি বিলাক ভুলে কেৱল এটা হিচাপক প্ৰভাবিত কৰে, তেনে ভুলসমূহ সেই নিৰ্দিষ্ট প্ৰভাৱিত হিচাপত বৰ্ণনামূলক টোকাৰে নাইবা স্থগিত হিচাপৰ সহায়ত জাবেদা প্ৰবিষ্টিৰ জৰিয়তে শুধৰণি কৰিব পাৰি। স্থগিত হিচাপৰ বিষয়ে এই অধ্যায়ৰ শেষত বৰ্ণনা কৰা হৈছে। এইধৰণৰ ভুলৰ উদাহৰণসমূহ হ'ল, স্থানান্তৰকৰণৰ ভুল, হিচাপৰ উদ্বৃত্ত নিৰ্ধাৰণৰ ভল, নিৰ্দিষ্ট হিচাপত ভল টকাৰ পৰিমাণেৰে খতিয়নভুক্ত কৰা, হিচাপৰ ভুল দিশত ভুল টকাৰ পৰিমাণেৰে খতিয়নভুক্ত কৰা, উদ্বৃত্ত মিলন পত্ৰত কোনো হিচাপ বাদ পৰিযোৱা।

প্ৰাথমিক বহীত সংঘটিত হোৱা কোনো ভুল যদি হিচাপত খতিয়নভুক্ত কৰাৰ আগতে ধৰা পেলাব পাৰি, তেনে ভুলৰ টকাৰ পৰিমাণ এডাল ৰেখাৰে কাটি আৰু শুদ্ধ টকাৰ পৰিমাণক নাকচ কৰা টকাৰ ওপৰৰ ফালে নতুনকৈ লিখিব লাগে আৰু তাত চমু স্বাক্ষৰ কৰিব লাগে। শুদ্ধ হিচাপত টকাৰ পৰিমাণত হোৱা ভুল ওপৰোক্ত পদ্ধতিৰে শুধৰণি কৰিব পাৰি বা পাৰ্থক্য হোৱা ধনৰ পৰিমাণেৰে হিচাপত অতিৰিক্ত জাবেদাৰে খতিয়নভুক্ত কৰি শুধৰণি কৰিব পাৰি আৰু তেতিয়া বিৱৰণী স্তম্ভত এটি বৰ্ণনামূলক টোকাৰ আৱশ্যক হয়। কিন্তু ভুলসমূহ মোহাৰি বা নতুনকৈ ওপৰে ওপৰে লিখি শুধৰণি কৰিলে হিচাপৰ তথ্যৰ গ্ৰহণযোগ্যতা হ্ৰাস পায় আৰু ইয়ে হিচাপৰ কোনো বিষয়বস্তু নাকচ কৰাৰ ভাবৰ উদ্বেগ কৰে। সেয়েহে হিচাপত ভুলৰ প্ৰভাবৰ নিৰপেক্ষ শুধৰণিৰ বাবে শুধৰণি কৰা দিশত এটি টোকা দিয়াৰ প্ৰয়োজন। উদাহৰণস্বৰূপে ধৰা হ'ল শ্যামৰ হিচাপত 190 টকা কমকৈ ক্ৰেডিট কৰা হ'ল। এই ভুলটো শ্যামৰ হিচাপৰ ক্ৰেডিট দিশত 190 টকাৰে অতিৰিক্ত প্ৰবিষ্টি দি তলত দিয়া ধৰণে শুধৰণি কৰিব পাৰি ঃ

**শ্যামৰ হিচাপ**

ডে : ক্ৰে :

| তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | | | | | কম টকাৰে খতিয়ন ভুক্তকৰণৰ বাবে হোৱা পাৰ্থক্যৰ পৰিমাণেৰে | | 190 |

আন এক উদাহৰণস্বৰূপে, ক্ৰয় বহী 1000 টকাৰে কমকৈ লিখা হৈছে। এই প্ৰবিষ্টিটোৰ প্ৰভাব ক্ৰয় বহীৰ ডেবিট দিশত পৰিব, যেতিয়া মুঠ ক্ৰয় বহীৰ যোগফল খতিয়নভুক্ত কৰা হ'ব।

**ক্ৰয় হিচাপ**

ডে : ক্ৰে :

| তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | ............ মাহত ক্ৰয় বহীত কমকৈ লিখা হৈছে | | 1000 | | | | |

***স্থগিত হিচাপ*** *(Suspense Account)*

কেতিয়াবা কোনো এটা দিশত (ডেবিট বা ক্রেডিট) থকা ভুলৰ বাবে উদ্বৃত্ত মিলন পত্র অমিল হ'লেও হিচাপৰক্ষকজনে বিত্তীয় বিবৃতি প্রস্তুতকৰণৰ বাবে হিচাপকৰণ প্রক্রিয়াটোক আগবঢ়ায় লৈ যাব লাগে। তেতিয়া যিটো দিশত টকাৰ পৰিমাণ কম থাকে সেই দিশটোত পাৰ্থক্যৰ সমপৰিমাণৰ টকাৰে স্থগিত হিচাপ খুলি উদ্বৃত্ত মিলন পত্ৰখন সমান কৰা হয়।

**বিক্ৰয় বহী**
**(জাবেদা)**

| তাৰিখ | চালান নং | গ্ৰাহক সকলৰ নাম (ডেবিট কৰিব লগীয়া হিচপসমূহ) | খ· পৃ· | টকাৰ পৰিমাণ |
|---|---|---|---|---|
| | | অশোক ট্ৰেডাছ্ | | 20000 |
| | | বিমল চাৰ্ভিছ্ চেন্টাৰ | | 10000 |
| | | চোপ্ৰা এন্টাৰপ্ৰাইজেছ্ | | 5000 |
| | | দি ৰাকৰ এণ্ড চন্‌ছ | | 15000 |
| | | | | 50000 |

যদি 'দি ৰাকৰ এণ্ড চন্‌ছ' লৈ বিক্ৰী কৰাটো তেওঁৰ হিচাপত খতিয়ানভুক্ত কৰা নহয়, তেন্তে খতিয়নে তলত দিয়া স্থিতি দেখুৱাব ঃ

**অশোক ট্ৰেডাৰ্ছৰ হিচাপ**

ডে : ক্ৰে :

| তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | বিক্ৰয় | | 20000 | | উদ্বৃত্ত নিয়া হ'ল | | 20000 |
| | | | 20000 | | | | 20000 |

**বিমল চার্ভিছ চেন্টাৰৰ হিচাপ**

ডে : ক্রে :

| তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | বিক্রয় | | 10000 | | উদ্বৃত্ত নিয়া হ'ল | | 10000 |
| | | | 10000 | | | | 10000 |

**চোপ্রা এন্টাৰপ্রাইজেছৰ হিচাপ**

ডে : ক্রে :

| তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | বিক্রয় | | 5000 | | উদ্বৃত্ত নিয়া হ'ল | | 5000 |
| | | | 5000 | | | | 5000 |

**বিক্রয় হিচাপ**

ডে : ক্রে :

| তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | বিক্রয় | | 5000 | | বিভিন্ন দেনাদাৰ | | 50000 |
| | | | 5000 | | | | |

ওপৰৰ উদ্বৃত্তসমূহৰ পৰা যেতিয়া উদ্বৃত্ত মিলনপত্রখন প্রস্তুত কৰা হব তেতিয়া এই পত্রখন অমিল হব। ইয়াৰ ক্রেডিট দিশৰ মুঠ যোগফল হব 50000 টকা আৰু ডেবিট দিশৰ মুঠ যোগফল হ'ব 35000 টকা গতিকে উদ্বৃত্ত মিলন পত্রৰ দুয়োটা দিশৰ মাজৰ পাৰ্থক্য হ'ব 15000 টকা। এই পাৰ্থক্যৰ টকাৰ পৰিমাণেৰে অস্থায়ীভাৱে 'স্থগিত হিচাপ' খোলা হ'ব আৰু খতিয়নত উদ্বৃত্ত মিলন পত্র সমান কৰা হ'ব।

ওপৰৰ ঘটনাটোত উদ্বৃত্ত মিলন পত্রত এটা দিশৰ ভুলৰ বাবে পাৰ্থক্য দেখা গৈছে ( দিবাকৰ এণ্ডচন্‌ছ ৰ হিচাপ খতিয়নভুক্ত নকৰা)। প্রকৃতার্থত এনেকুৱা বহুতো এটা দিশৰ ভুল থাকিব পাৰে যাৰ ফলত উদ্বৃত্ত মিলন পত্রত পাৰ্থক্য দেখা যায় আৰু তাৰ বাবে আমি 'স্থগিত হিচাপ' খুলিব লগা হয়। যেতিয়ালৈকে উদ্বৃত্ত মিলন পত্র মিলকৰণত প্রভাৱ পেলোৱা সকলোবোৰ ভুল ধৰা নপৰে তেতিয়ালৈ এই ভুলসমূহ শুধৰণি কৰি উদ্বৃত্ত মিলন পত্র সমান কৰি উলিওৱা সম্ভৱ নহয় আৰু এই

সমূহ ভুল স্থগিত হিচাপত দেখুওৱা হয়। তাৰ পিছত ডেবিট আৰু ক্ৰেডিট দিশৰ যোগফল উলিয়াই হিচাপৰ প্ৰক্ৰিয়াৰ দ্বাৰা আগুৱাই যোৱা হয়।

যেতিয়া ভুলসমূহ ধৰা পেলোৱা হয় আৰু সেই ভুলত অন্তৰ্গত হৈ থকা নিৰ্দিষ্ট হিচাপবোৰ আৰু টকাৰ পৰিমাণসমূহ চিনাক্তকৰণ হয়, তেতিয়া স্থগিত হিচাপ বন্ধ কৰি ইয়াৰ টকাৰ পৰিমাণ যথা-স্থানলৈ স্থানান্তৰ কৰা হয়। সেয়েহে স্থগিত হিচাপক কোনো নিৰ্দিষ্ট হিচাপৰ শ্ৰেণী হিচাবে ধৰা নহয়। ই এবিধ সাময়িক হিচাপহে।

যেতিয়া স্থগিত হিচাপৰ সহায়ত উদ্বৃত্ত মিলন পত্ৰৰ এটা দিশৰ ভুলসমূহ শুধৰণি কৰা হয়, তেতিয়া তলত দিয়া পদক্ষেপসমূহ গ্ৰহণ কৰা হয়:

(i) ভুলৰ বাবে প্ৰভাৱিত হিচাপৰ চিনাক্তকৰণ,

(ii) প্ৰভাৱিত হিচাপৰ বেছি পৰিমাণৰ ডেবিট/ ক্ৰেডিট বা কম পৰিমাণৰ ডেবিট / ক্ৰেডিট নিৰ্ধাৰণ কৰা,

(iii) প্ৰভাৱিত হিচাপত যদি ভুলৰ ফলত বেছি পৰিমাণৰ ডেবিট বা কম পৰিমাণৰ ক্ৰেডিট দেখা যায়, তেতিয়া সেই বেছি পৰিমাণৰ ডেবিট সমানেৰে হিচাপটো ক্ৰেডিট কৰা হয়,

(iv) প্ৰভাৱিত হিচাপত যদি ভুলৰ ফলত বেছি পৰিমাণৰ ক্ৰেডিট বা কম পৰিমাণৰ ডেবিট দেখা যায়, তেতিয়া সেই বেছি পৰিমাণৰ ক্ৰেডিট বা কম পৰিমাণৰ ডেবিট টকাৰ সমানেৰে হিচাপটো ডেবিট কৰা হয়,

(v) আন হিচাপ প্ৰভাৱিত হোৱাৰ দৰে স্থগিত হিচাপ ডেবিট বা ক্ৰেডিট কৰি জাবেদা প্ৰবিষ্টি সম্পূৰ্ণ কৰা।

**আমি এতিয়া স্থগিত হিচাপৰ সহায়ত শুধৰণি কৰা প্ৰক্ৰিয়াটো আলোচনা কৰিম**

(a) মোহনলৈ বাকীত বিক্ৰী কৰা 10000 টকা তেওঁৰ হিচাপত খতিয়নভুক্ত কৰা হোৱা নাছিল। এইটো বিক্ৰয় বহীত খতিয়নভুক্ত কৰাৰ সময়ত হোৱা আংশিক বাদ পৰি যোৱা ভুল।

ভুল প্ৰভাৱটো হৈছে ঃ

| | | | |
|---|---|---|---|
| মোহন | ডে: | Nil | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 10000 |

শুদ্ধ প্ৰভাৱটো হ'ব লাগিছিল ঃ

| | | | |
|---|---|---|---|
| মোহন | ডেঃ | 10000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 10000 |

শুধৰণি প্ৰবিষ্টিটো হ'ব ঃ

| | | | |
|---|---|---|---|
| মোহন | ডেঃ | 10000 | |
| প্ৰতি স্থগিত হিচাপ | | | 10000 |

(b) মোহনলৈ বাকীত বিক্ৰী কৰা 10000 টকাৰ সামগ্ৰী তেওঁৰ হিচাপত 7000 টকাৰে খতিয়নভুক্ত হৈছিল। এইটো এবিধ অশুদ্ধ প্ৰবিষ্টিৰ ভুল। মোহনৰ হিচাপ10000 টকাৰ পৰিবৰ্তে 7000 টকাৰে ডেবিট কৰা হৈছে যাৰ ফলত 3000 টকাৰ কম পৰিমাণৰ ডেবিট থাকিব।

ভুল প্ৰভাৱটো হৈছে ঃ

| | | | |
|---|---|---|---|
| মোহন | ডেঃ | 7000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 10000 |

শুদ্ধ প্ৰভাৱটো হ'ব লাগিছিল ঃ

| | | | |
|---|---|---|---|
| মোহন | ডেঃ | 10000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 10000 |

সেয়েহে, শুধৰণি প্ৰবিষ্টিটো হ'ব ঃ

| | | | |
|---|---|---|---|
| মোহন | ডেঃ | 3000 | |
| প্ৰতি স্থগিত হিচাপ | | | 3000 |

(c) মোহনলৈ বাকীত বিক্ৰী কৰা 10000 টকা তেওঁৰ হিচাপত 12000 টকাৰে খতিয়নভুক্তকৰণ হৈছিল। এইটো এটা কৰ্মাত্মক ভুল।

অশুদ্ধ প্ৰভাৱটো হৈছে ঃ

| | | | |
|---|---|---|---|
| মোহন | ডে: | 12000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 10,000 |

শুদ্ধ প্ৰভাবটো হ'ব লাগিছিল ঃ

| | | | |
|---|---|---|---|
| মোহন | ডে: | 10000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 10000 |

শুধৰণি প্ৰবিষ্টিটো হ'ব ঃ

| | | | |
|---|---|---|---|
| স্থগিত হিচাপ | ডে: | 2000 | |
| প্ৰতি মোহন | | | 2000 |

(d) ক্ৰয় বহী 1000 টকাৰে বেছিকৈ লিখা হৈছে। সহায়কাৰী বহীৰ কমকৈ বা বেছিকৈ লিখা টকাৰ পৰিমাণৰ ভুলে কেবল সেইসমূহ হিচাপত প্ৰভাব পেলায় য'ত খতিয়নভুক্ত হোৱা সহায়কাৰী বহীৰ মুঠ যোগফল অন্তৰ্ভুক্ত হৈ থকে। গাইগুটীয়া হিচাপসমূহ প্ৰভাৱিত নহয়। তলত উদাৰণটো ধৰা হওক ঃ

**ক্ৰয় জাবেদা বহী**

| তাৰিখ | চালান নং | বিক্ৰেতাৰ নাম (ক্ৰেডিত কৰিবলগা হিচাপসমূহ) | খ: পৃ: | টকাৰ পৰিমাণ |
|---|---|---|---|---|
| | | ধীৰু<br>চন্দ্ৰপ্ৰকাশ<br>শচীন | | 8000<br>7000<br>6000 |
| | | | | 21000 |
| | | বেছি পৰিমাণেৰে লিখা বাবে হোৱা অশুদ্ধ যোগফল | | 22000 |

### ধীৰুৰ হিচাপ

ডে : ক্ৰে :

| তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | | | | | ক্ৰয় | | 8000 |

### চন্দ্ৰ প্ৰকাশৰ হিচাপ

ডে :

| তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | | | | | ক্ৰয় | | 7000 |

### শচীনৰ হিচাপ

ডে :

| তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | | | | | ক্ৰয় | | 6000 |

### ক্ৰয় হিচাপ

ডে :

| তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জা: পৃ: | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | বিভিন্ন পাওনাদাৰ | | 22000 | | | | |

আমি লক্ষ্য কৰিব পাৰো যে, ধীৰু, চন্দ্ৰপ্ৰকাশ আৰু শচীনৰ হিচাপত কোনো ভুল হোৱা নাই। কেৱল ক্ৰয় হিচাপ অতিৰিক্ত1000 টকাৰে ডেবিট কৰা হৈছে।

**গতিকে শুধিৰণি প্ৰবিষ্টিতো হ'ব ঃ**

| | | | |
|---|---|---|---|
| স্থগিত হিচাপ | ডে: | 1000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 1000 |

### *6.6.3 পিছৰ হিচাপ বৰ্ষত ভুলসমূহৰ শুধৰণি (Rectification of Errors in the next Accounting year)*

যদি এটা হিচাপ বৰ্ষত সংঘটিত হোৱা ভুলসমূহ বিত্তীয় বিবৃতি চূড়ান্ত কৰাৰ আগতে ধৰা পেলাই শুধৰণি কৰা নহয়, তেন্তে স্থগিত হিচাপ বন্ধ কৰিব পৰা নাযাব আৰু ইয়াৰ উদ্বৃত্ত পিছৰ হিচাপ-বৰ্ষলৈ আগুৱাই নিয়া হব। যেতিয়া এটা হিচাপ বৰ্ষত সংঘটিত হোৱা ভুলসমূহ পিছৰ হিচাপ বৰ্ষত ধৰা পেলাই শুধৰণি কৰা হয়, তেন্তে ব্যয়/লোকচান আৰু আয়/লাভৰ পৰিৱৰ্তে লোভ লোকচান সংযোজন হিচাত ডেবিট বা ক্রেডিট কৰা হয় যাতে পৰৱৰ্তী বছৰত আয় বিবৃতিত ইয়াৰ প্ৰভাৱ এৰাই চলাব পাৰি। আমি এই বিষয়ে হিচাপ বিদ্যাৰ জৰিয়তে আগতিয়াকৈ জানিব পাৰিম।

**বাকচ**

**ভুলৰ শুধৰণিৰ পথ নিৰ্দেশক নীতি সমূহ**

1. যদি প্ৰথমিক বহীত ভুলসমূহ সংঘটিত হয়, তেন্তে খতিয়নভক্তকৰণ ক্ৰমানুশাৰে হোৱা বুলি ধৰা হয়।
2. যদি ভুল খতিয়নভক্ত প্ৰক্ৰিয়াত সংঘটিত হয়, তেন্তে সহায়কাৰী বহীত শুদ্ধভাবে লিপিবদ্ধ কৰা হোৱা বুলি ধৰা হয়।
3. যদি অশুদ্ধ হিচাপলৈ খতিয়নভক্ত কৰোতে ভুল হয় (খতিয়নভক্তকৰণৰ দিশ আৰু পৰিমাণৰ উল্লেখ অবিহনে) তেন্তে খতিয়নভক্তকৰণ শুদ্ধ পৰিমাণৰ সৈতে শুদ্ধ দিশলৈ হোৱা বুলি ধৰা হয়।
4. যদি খতিয়নভক্তকৰণ অশুদ্ধ পৰিমাণেৰে শুদ্ধ হিচাপলৈ কৰা হৈছে (খতিয়নভক্তকৰণৰ দিশ উল্লেখ নাথাকিলে) তেন্তে খতিয়নভক্তকৰণ শুদ্ধ দিশত হোৱা বুলি ধৰা হয়।
5. যদি ভুল অশুদ্ধ হিচাপৰ অশুদ্ধ দিশত খতিয়নভুক্ত কৰা বাবে সংঘটিত হয় (খতিয়নভক্তকৰণৰ পৰিমাণ উল্লেখ নাথাকিলে) তেন্তে লেনদেনৰ প্ৰাথমিক লিপিবদ্ধকৰণৰ পৰিমাণৰ মতে খতিয়নভক্তকৰণ হোৱা বুলি ধৰা হয়।
6. যদি ভুল অশুদ্ধ পৰিমাণৰ সৈতে অশুদ্ধ হিচাপত খতিযনভক্ত কৰোতে সংধটিত হয় (খতিয়নভক্তকৰণৰ দিশ উল্লেখ নাথাকিলে) তেন্তে খতিয়নভক্তকৰণ শুদ্ধ দিশত হোৱা বুলি ধৰা হয়।
7. যদি খতিয়নভক্তকৰণ শুদ্ধ হিচাপৰ অশুদ্ধ দিশত হয় (খতিয়নভক্তকৰণৰ পৰিমাণৰ উল্লেখ নাথাকিলে) তেন্তে প্ৰাথমিক বহীৰ হিচাপৰ পৰিমাণৰ মতে খতিয়নভক্ত কৰা শুদ্ধভাবে হোৱা বুলি ধৰা হয়।

8. সহায়কাৰী বহীৰ গাইগুটীয়া লেনদেনসমূহৰ খতিয়নভুক্তকৰণৰ যিকোনো ভুল যদি গাইগুটীয়া হিচাপৰ সৈতে জড়িত, তেন্তে বিক্ৰয় হিচাপ, ক্ৰয় হিচাপ, বিক্ৰী ফিৰৎ হিচাপ বা ক্ৰয় ফিৰৎ হিচাপ অৰ্ন্তভুক্ত নাথাকে।

9. যদি এটা লেনদেন নগদ বহীত লিপিবদ্ধ কৰা হয় তেন্তে খতিয়নভুক্ত কৰাৰ ভুলটো আন প্ৰভাবিত হিচাপটোৰ সৈতে জড়িত, নগদ/বেংকৰ হিচাপৰ সৈতে নহয়।

10. যদি এটা লেনদেন প্ৰকৃত জাবেদাৰ জৰিয়তে লিপিবদ্ধ কৰা যায় তেন্তে 'লেনদেনটো খতিয়নভুক্ত হোৱা নাছিল' বাক্যটোৱে দুয়োটা হিচাপত ভুল থকাটো নিৰ্দেশ কৰে, যেতিয়ালৈকে উল্লেখ নাথাকে।

11. সহায়কাৰী বহীৰ কমকৈ বা বেছি পৰিমাণেৰে লিখা ভুলে সেই হিচাপত প্ৰভাব পেলাব য'ত গাইগুটীয়া ব্যক্তিগত হিচাপসমূহ প্ৰভাবিত নকৰাকৈ বাদ দি নিৰ্দিষ্ট বহীৰ যোগফল খতিয়নভুক্ত কৰা হয়।

**কি বুজিলা কোৱা-III**

জাবেদা প্ৰবিষ্টিৰ জৰিয়তে প্ৰভাবসমূহ দেখুওৱা ঃ

1. মোহনলৈ বাকীত বিক্ৰী কৰা 10000 টকা তেওঁৰ হিচাপত 12000 টকাৰে খতিয়নভুক্ত কৰা হৈছে।

এইটো এটা ................ ভুল।

**অশুদ্ধ প্ৰভাবটো হৈছেঃ**

| | | |
|---|---|---|
| | | |
| | | |

**শুদ্ধ প্ৰভাবটো হ'ব লাগিছিল ঃ**

| | | |
|---|---|---|
| | | |
| | | |

**শুধৰণি প্ৰবিষ্টিটো হ'ব ঃ**

| | | |
|---|---|---|
| | | |
| | | |

2. নেহাক পৰিশোধ কৰা নগদ 2000 টকা তাইৰ হিচাপত খতিয়নভুক্ত কৰা হোৱা নাই। এইটো এটা ..................ভুল।

**অশুদ্ধ প্ৰভাৱটো হৈছেঃ**

| | | |
|---|---|---|
| | | |
| | | |

**শুদ্ধ প্ৰভাৱটো হ'ব লাগিছিল ঃ**

| | | |
|---|---|---|
| | | |
| | | |

**শুধৰণি প্ৰৱিষ্টিটো হ'ব ঃ**

| | | |
|---|---|---|
| | | |
| | | |

3. মেঘাৰ পৰা পোৱা 1600 টকাৰ বিক্ৰী ফিৰৎ তাইৰ হিচাপত 1000 টকাৰে খতিয়নভুক্ত কৰা হৈছিল। এইটো এটা ...........ভুল।

**অশুদ্ধ প্ৰভাৱটো হৈছেঃ**

| | | |
|---|---|---|
| | | |
| | | |

**শুদ্ধ প্ৰভাৱটো হ'ব লাগিছিল ঃ**

| | | |
|---|---|---|
| | | |
| | | |

শুধৰণি প্ৰবিষ্টিটো হ'বঃ

| | | |
|---|---|---|
| | | |
| | | |

4. আচবাবৰ ওপৰত 1500 টকা অৱক্ষয় নিৰ্ধাৰণ কৰা হৈছে কিন্তু অৱক্ষয় হিচাপত খতিয়নভুক্ত হোৱা নাই। এইটো এটা ........... ভুল।

অশুদ্ধ প্ৰভাবটো হৈছে ঃ

| | | |
|---|---|---|
| | | |
| | | |

শুদ্ধ প্ৰভাবটো হ'ব লাগিছিল ঃ

| | | |
|---|---|---|
| | | |
| | | |

শুধৰণি প্ৰবিষ্টিটো হ'ব ঃ

| | | |
|---|---|---|
| | | |
| | | |

***উদাহৰণ 1 (Illustration-1:)***

তলৰ ভুলসমূহ শুধৰণি কৰা ঃ

ৰঘুৰ পৰা 20000 টকাৰে মূল্যৰ সামগ্ৰী বাকীত ক্ৰয় কৰা লেনদেনটো

(i) লিপিবদ্ধ কৰা হোৱা নাই,

(ii) 10000 টকাৰে লিপিবদ্ধ কৰা হৈছে,

(iii) 25000 টকাৰে লিপিবদ্ধ কৰা হৈছে,

(iv) তেওঁৰ হিচাপত খতিয়নভুক্ত হোৱা নাই,

(v) তেওঁৰ হিচাপত 2000 টকাৰে খতিয়নভুক্ত হৈছিল,

(vi) ৰাঘবৰ হিচাপত খতিয়নভুক্ত হৈছিল,
(vii) ৰঘুৰ হিচাপৰ ডেবিট দিশত খতিয়নভুক্ত হৈছিল,
(viii) ৰাঘবৰ হিচাপৰ ডেবিট দিশত খতিয়নভুক্ত হৈছিল,
(ix) বিক্ৰয় বহীৰ জৰিয়তে লিপবদ্ধ হৈছিল,

***সমাধানঃ***

(i)

| | | | |
|---|---|---|---|
| ক্ৰয় হিচাপ | ডেঃ | 20000 | |
| প্ৰতি ৰঘু | | | 20000 |
| (ৰঘুৰ পৰা বাকীত ক্ৰয় কৰা লেনদেনটো লিপিবদ্ধ নকৰা বাবে শুধৰোৱা হ'ল) | | | |

(ii)

| | | | |
|---|---|---|---|
| ক্ৰয় হিচাপ | ডেঃ | 10000 | |
| প্ৰতি ৰঘু | | | 10000 |
| (ৰঘুৰ পৰা বাকীত ক্ৰয় কৰা লেনদেনটো 20000 টকাৰ পৰিবৰ্তে 10000 টকাৰে লিপিবদ্ধ কৰা বাবে শুধৰোৱা হ'ল) | | | |

(iii)

| | | | |
|---|---|---|---|
| ৰঘু | ডেঃ | 5000 | |
| প্ৰতি ক্ৰয় হিচাপ | | | 5000 |
| (ৰঘুৰ পৰা বাকীত ক্ৰয় কৰা লেনদেনটো 20000 টকাৰ পৰিবৰ্তে 25000 টকাৰে লিপিবদ্ধ কৰা বাবে শুধৰোৱা হ'ল) | | | |

(iv)

| | | | |
|---|---|---|---|
| স্থগিত হিচাপ | ডেঃ | 20000 | |
| প্ৰতি ৰঘু | | | 20000 |
| (ৰঘুৰ পৰা বাকীত ক্ৰয় কৰা লেনদেনটো তেওঁৰ হিচাপত খতিয়নভুক্ত নকৰা বাবে শুধৰোৱা হ'ল) | | | |

(v)

| | | | |
|---|---|---|---|
| স্থগিত হিচাপ | ডে: | 18000 | |
| প্ৰতি ৰঘু | | | 18000 |

(ৰঘুৰ পৰা বাকীত ক্ৰয় কৰা লেনদেনটো 20000 টকাৰ পৰিবৰ্তে 20000 টকাৰ পৰিবৰ্তে 2000 টকাৰে তেওঁৰ হিচাপত খতিয়নভুক্ত হোৱা বাবে শুধৰোৱা হ'ল)

(vi)

| | | | |
|---|---|---|---|
| ৰাঘব | ডে: | 20000 | |
| প্ৰতি ৰঘু | | | 20000 |

(ৰঘুৰ পৰা বাকীত ক্ৰয় কৰা লেনদেনটো ভুলবশতঃ ৰাঘবলৈ ক্ৰেডিট কৰা বাবে শুধৰোৱা হ'ল)

(vii)

| | | | |
|---|---|---|---|
| স্থগিত হিচাপ | ডে: | 40000 | |
| প্ৰতি ৰঘু | | | 40000 |

(ৰঘুৰ পৰা বাকীত ক্ৰয় কৰা 20000 টকাৰ লেনদেনটো তেওঁৰ হিচাপত ডেবিট কৰা বাবে শুধৰোৱা হ'ল )

(viii)

| | | | |
|---|---|---|---|
| স্থগিত হিচাপ | ডে: | 40000 | |
| প্ৰতি ৰাঘব | | | 20000 |
| প্ৰতি ৰঘু | | | 20000 |

(ৰঘুৰ পৰা বাকীত ক্ৰয় কৰা লেনদেনটো ৰাঘবৰ হিচাপত ডেবিট কৰা বাবে শুধৰোৱা হ'ল)

(ix)

| | | | |
|---|---|---|---|
| বিক্ৰয় হিচাপ | ডে: | 20000 | |
| ক্ৰয় হিচাপ | ডে: | 20000 | |
| প্ৰতি ৰঘু | | | 40000 |

(ৰঘুৰ পৰা বাকীত ক্ৰয় কৰা লেনদেনটো ভুলবশত বিক্ৰয় বহীৰ জৰিয়তে লিপিবদ্ধ কৰা বাবে শুধৰোৱা হ'ল)

***উদাহৰণ 2 (Illustration 2)***

তলৰ ভুলসমূহ শুধৰণি কৰা ঃ

16000 টকাৰ নগদ বিক্ৰীৰ লেনদেনটো

(i) বিক্ৰয় হিচাপত খতিয়নভুক্ত কৰা হোৱা নাই,

(ii) বিক্ৰয় হিচাপত 6000 টকাৰ খতিয়নভুক্ত হৈছিল,

(iii) দস্তুৰি হিচাপত খতিয়নভুক্ত কৰা হৈছিল ।

***সমাধান ঃ***

(i)

| | | | |
|---|---|---|---|
| স্থগিত হিচাপ | ডে: | 16000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 16000 |

(নগদ বিক্ৰৰ লেনদেনটো বিক্ৰয় বহীত খতিয়নভুক্ত নোহোৱাৰ বাবে শুধৰোৱা হ'ল )

(ii)

| | | | |
|---|---|---|---|
| স্থগিত হিচাপ | ডে: | 10000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 10000 |

(নগদ বিক্ৰৰ 16000 টকাৰ লেনদেনটো বিক্ৰয় বহীত 6000 টকাৰ খতিয়নভুক্ত কৰা বাবে শুধৰোৱা হ'ল)

(iii)

| | | | |
|---|---|---|---|
| দস্তুৰি হিচাপ | ডেঃ | 16000 | |
| প্ৰতি বিক্ৰয় হিচাপ | | | 16000 |

(নগদ বিক্ৰৰ লেনদেনটো বিক্ৰয় হিচাপৰ পৰিৱৰ্তে দস্তুৰি হিচাপত খতিয়নভুক্ত কৰা বাবে শুধৰোৱা হ'ল )

*উদাহৰণ 3 (Illustration -3)*

যন্ত্ৰপাতিৰ ওপৰত 2000 টকাৰ অৱক্ষয়ৰ হিচাপ

(i) খতিয়নভুক্ত হোৱা নাই,

(ii) যন্ত্ৰপাতিৰ হিচাপত খতিয়নভুক্ত কৰা হোৱা নাই,

(iii) অৱক্ষয়ৰ হিচাপত খতিয়নভুক্তকৰণ হোৱা নাই।

***সমাধান***

(i) এইটো প্ৰকৃত জাবেদাৰ জৰিয়তে লিপিবদ্ধ হৈছিল। প্ৰকৃত জাবেদাৰ পৰা সকলো হিচাপ লৈ গাইগুটীয়াভাবে খতিয়নভুক্ত হৈছে। সেয়েহে অৱক্ষয় হিচাপ আৰু যন্ত্ৰপাতিৰ হিচাপলৈ কোনো প্ৰবিষ্টি খতিয়নভুক্ত হোৱা নাই। গতিকে শুধৰণি প্ৰবিষ্টিটো হ'ব।

| | | | |
|---|---|---|---|
| অৱক্ষয় হিচাপ | ডেঃ | 2000 | |
| প্ৰতি যন্ত্ৰপাতি হিচাপ | | | 2000 |

(যন্ত্ৰপাতিৰ ওপৰত অৱক্ষয়ৰ হিচাপটো খতিয়নভুক্ত নকৰা বাবে শুধৰোৱা হ'ল)

(ii) এইটো ক্ষেত্ৰত যন্ত্ৰপাতিৰ হিচাপত খতিয়নভুক্তকৰণ হোৱা নাই। অৱক্ষয়ৰ হিচাপ শুদ্ধভাৱে ডেবিট হোৱা বুলি ধৰি লব লাগিব। গতিকে

শুধৰণি প্ৰবিষ্টিটো হ'ব ঃ

| | | | |
|---|---|---|---|
| স্থগিত হিচাপ | ডেঃ | 2000 | |
| প্ৰতি-যন্ত্ৰপাতিৰ হিচাপ | | | 2000 |

(যন্ত্ৰপাতিৰ ওপৰত অৱক্ষয়ৰ হিচাপ যন্ত্ৰপাতি হিচাপত খতিয়নভুক্ত নোহোৱা বাবে শুধৰণি প্ৰবিষ্টিটো দিয়া হ'ল)

(iii) এই ক্ষেত্ৰত অৱক্ষয়ৰ হিচাপ ডেবিট হোৱা নাছিল। যন্ত্ৰপাতিৰ হিচাপ শুদ্ধভাবে ক্ৰেডিট কৰা হৈছিল। গতিকে শুধৰণি প্ৰবিষ্টিটো হ'ব ঃ

| | | | |
|---|---|---|---|
| অৱক্ষয় হিচাপ | ডেঃ | 2000 | |
| প্ৰতি স্থগিত হিচাপ | | | 2000 |
| (যন্ত্ৰপাতিৰ ওপৰত অৱক্ষয়, অৱক্ষয়ৰ হিচাপত খতিয়নভুক্ত নোহোৱা বাবে শুধৰোৱা হ'ল) | | | |

*উদাহৰণ ঃ 4 (Illustration-4) :*

অনুৰাগৰ উদ্বৃত্ত মিলন পত্ৰ অমিল হৈছিল। এই পত্ৰই 10000 টকাৰ অতিৰিক্ত ক্ৰেডিট উদ্বৃত্ত দেখুৱাইছে। এই পাৰ্থক্যৰে তেওঁ স্থগিত হিচাপ মুকলি কৰিলে। তেওঁ তলত দিয়া ভুলসমূহ ধৰা পেলালে ঃ

(i) বিক্ৰী ফিৰৎ বহীৰ 1000 টকাৰে বেছিকৈ লিখা আছিল,

(ii) ক্ৰয় বহী 600 টকাৰে কমকৈ লিখা হৈছিল,

(iii) বিক্ৰী বহীৰ 4 নং পৃষ্ঠাৰ মুঠ যোগফল 5 নং পৃষ্ঠালৈ 1200 টকাৰ পৰিবৰ্তে 1000 টকাৰে আগবঢ়াই নিয়া হৈছিল আৰু 4 নং পৃষ্ঠাৰ মুঠ যোগফল 9 নং পৃষ্ঠালৈ 5000 টকাৰ পৰিৱৰ্তে 5600 টকাৰে আগবঢ়াই নিয়া হৈছিল।

(iv) ৰামক 1000 টকাৰ সামগ্ৰী ফিৰৎ দিয়া লেনদেনটো বিক্ৰয় বহীৰ জৰিয়তে লিপিবদ্ধ হৈছিল।

(v) এম. এণ্ড কোম্পানীৰ পৰা বাকীত ক্ৰয় কৰা 8000 টকাৰ লেনদেনটো বিক্ৰয় বহীৰ জৰিয়তে লিপিবদ্ধ কৰা হৈছিল।

(vi) এছ. এণ্ড কোম্পানীৰ পৰা বাকীত ক্ৰয় কৰা 5000 টকাৰ লেনদেনটো বিক্ৰয় বহীৰ জৰিয়তে লিপিবদ্ধ কৰা হৈছিল যদিও এছ এণ্ড কোম্পানীৰ হিচাপ শুদ্ধভাৱেই ক্ৰেডিট কৰা হৈছিল।

(vii) দৰমহা পৰিশোধ কৰা 2000 টকাৰ লেনদেনটো কৰ্মচাৰীৰ ব্যক্তিগত হিচাপত ডেবিট কৰা হৈছিল।

*সমাধান*

(i)

| | | | |
|---|---|---|---|
| স্থগিত হিচাপ | ডেঃ | 1000 | |
| প্ৰতি বিক্ৰী ফিৰৎ হিচাপ | | | 1000 |
| (বিক্ৰী ফিৰৎ বহী 1000 টকাৰে বেছিকৈ লিখা আছিল বাবে শুধৰোৱা হ'ল) | | | |

(ii)

| | | | |
|---|---|---|---|
| ক্ৰয় হিচাপ | ডেঃ | 600 | |
| প্ৰতি স্থগিত হিচাপ | | | 600 |
| (ক্ৰয় হিচাপ 600 টকাৰে কমকৈ লিখা হোৱা বাবে শুধৰোৱা হ'ল) | | | |

(iii)

| | | | |
|---|---|---|---|
| বিক্ৰয় হিচাপ | ডেঃ | 400 | |
| প্ৰতি স্থগিত হিচাপ | | | 400 |
| (বিক্ৰয় বহীৰ আগবঢ়াই নিয়তে হোৱা ভুল শুধৰোৱা হ'ল) | | | |

***টোকা ঃ*** *এটা পৃষ্ঠাৰ পৰা আন এটা পৃষ্ঠালৈ মুঠ যোগফল আগবঢ়াই নিওতে হোৱা ভুলে সেইটো বহীৰ মুঠ যোগফলত প্ৰভাৱ পেলায় যাৰ ফলত কম/বেছিকৈ লিখা ভুল হয়। এই ক্ষেত্ৰত 4 নং পৃষ্ঠাৰ পৰা 5নং পৃষ্ঠালৈ আগবঢ়াই নিওতে 200 টকা কমকৈ আৰু 4 নং পৃষ্ঠাৰ পৰা 9 নং পৃষ্ঠালৈ আগবঢ়াই নিওতে 600 টকা বেছিকৈ দেখুওৱা হৈছে। গতিকে সৰ্বমুঠ বেছিকৈ লিখা টকাৰ পৰিমাণ হ'ল (600টকা – 200 টকা) = 400 টকা*

(iv)

| | | | |
|---|---|---|---|
| বিক্ৰয় হিচাপ | ডেঃ | 1000 | |
| প্ৰতি ক্ৰয় ফিৰৎ হিচাপ | | | 1000 |
| (ক্ৰয় ফিৰৎ অশুদ্ধ ভাবে বিক্ৰয় বহীৰ জৰিয়তে লিপিবদ্ধ কৰা বাবে শুধৰোৱা হ'ল) | | | |

(v)

| | | | |
|---|---|---|---|
| ক্ৰয় হিচাপ | ডেঃ | 8000 | |
| বিক্ৰয় হিচাপ | ডেঃ | 8000 | |
| প্ৰতি এম এণ্ড কোম্পানী হিচাপে | | | 16000 |
| (বাকীত ক্ৰয় কৰা লেনদেনটো বিক্ৰয় বহীৰ জৰিয়তে লিপিবদ্ধ কৰা বাবে শুধৰোৱা হ'ল) | | | |

(vi)

| | | | | |
|---|---|---|---|---|
| ক্ৰয় | হিচাপ | ডেঃ | 5000 | |
| বিক্ৰয় | হিচাপ | ডেঃ | 5000 | |
| | প্ৰতি স্থগিত হিচাপ | | | 10000 |

(বাকীত ক্ৰয় কৰা লেনদেনটো যদিওৱা যোগানকাৰীৰ হিচাপত শুদ্ধ ভাবে ক্ৰেডিট কৰা হৈছিল, তথাপি ভুলকৈ বিক্ৰয় বহীৰ জৰিয়তে লিপিবদ্ধ কৰা ববে শুধৰোৱা হ'ল)

(vii)

| | | | | |
|---|---|---|---|---|
| দৰমহা | হিচাপ | ডেঃ | 2000 | |
| | প্ৰতি কৰ্মচাৰীৰ ব্যাক্তিগত হিচাপ | | | 2000 |

(দৰমহা হিচাপৰ পৰিবৰ্তে ভু লকৈ কৰ্মচাৰীৰ ব্যক্তিগত হিচাপত ডেবিট কৰা বাবে শুধৰোৱা হ'ল)

স্থগিত হিচাপ

ডেঃ ক্ৰেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | বিক্ৰি ফিৰৎ | | 1000 | | ক্ৰয় | | 600 |
| | উদ্বৃত্ত মিলন পত্ৰৰ মতে পাৰ্থক্য | | 10000 | | বিক্ৰয় | | 400 |
| | | | | | ক্ৰয় | | 5000 |
| | | | | | বিক্ৰয় | | 5000 |
| | | | 11000 | | | | 11000 |

*উদাহৰণ 5 (Illustration 5 ):*

ৰাহুলৰ উদ্বৃত্তমিলন পত্ৰ সমান হোৱা নাছিল। তেওঁ উদ্বৃত্ত মিলন পত্ৰৰ পাৰ্থক্যৰ পৰিমাণেৰে স্থগিত হিচাপ মুকলি কৰিলে। অলপতে তলত দিয়া ভুলসমূহ তেওঁ ধৰা পেলালে ঃ

(i) যন্ত্ৰপাতি বহুওৱাৰ বাবদ মজুৰি পৰিশোধ কৰা 600 টকা মজুৰি হিচাপত খতিয়নভুক্ত হৈছিল।

(ii) যন্ত্ৰপাতি মেৰামতিৰ বাবদ 400 টকা যন্ত্ৰপাতিৰ হিচাপত ডেবিট কৰা হৈছিল।

(iii) পুৰণি যন্ত্ৰপাতি ক্ৰয় কৰি সম্পূৰ্ণকৈ (Overhauling) বা পাত-পাতকৈ মেৰামতি কৰাৰ বাবদ খৰচ কৰা 1000 টকা মেৰামতি হিচাপত ডেবিট কৰা হৈছিল।

(iv) নিজৰ ব্যৱসায়ৰ সামগ্ৰী 8000 টকাৰ আৰু 2000 টকাৰ মজুৰি ঘৰৰ নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা হৈছিল। বহীত কোনো সংযোজনৰ প্ৰবিষ্টি দিয়া হোৱা নাই।

(v) 5000 টকাৰ আচবাব ক্ৰয় কৰা লেনদেনটো ক্ৰয় বহীত 500 টকাৰে খতিয়নভুক্ত হৈছিল।

(vi) 2000 টকা মূল্যৰ পুৰণি যন্ত্ৰপাতি কৰিমৰ ওচৰত বিক্ৰী কৰা লেনদেনটো বিক্ৰয় বহীৰ জৰিয়তে লিপিবদ্ধ হৈছিল।

(vii) বিক্ৰী ফিৰৎ বহীৰ মুঠ 3000 টকা খতিয়নভুক্ত হোৱা নাই। ওপৰৰ ভুলসমূহ শুধৰণি কৰা আৰু উদ্বৃত্ত মিলন পত্ৰৰ প্ৰকৃত হিচাপ নিৰ্ধাৰণ কৰিবলৈ স্থগিত হিচাপ প্ৰস্তুত কৰা।

**সমাধান ঃ**

(i)

| | | | |
|---|---|---|---|
| যন্ত্ৰপাতি হিচাপ | ডেঃ | 600 | |
| প্ৰতি মজুৰি হিচাপ | | | 600 |
| (যন্ত্ৰপাতি বহুওৱাৰ বাবে মজুৰিৰ বাবদ খৰচ হোৱা 600 টকা ভুলকৈ মজুৰি হিচাপত ডেবিট কৰা বাবে শুধৰোৱা হ'ল) | | | |

(ii)

| | | | |
|---|---|---|---|
| মেৰামতি হিচাপ | ডেঃ | 400 | |
| প্ৰতি যন্ত্ৰপাতি হিচাপ | | | 400 |
| (মেৰামতিৰ নামত পৰিশোধ কৰা 400 টকা ভুলকৈ যন্ত্ৰপাতিৰ হিচাপত ডেবিট কৰা বাবে শুধৰোৱা হ'ল) | | | |

(iii)

| | | | |
|---|---|---|---|
| যন্ত্ৰপাতি হিচাপ | ডেঃ | 1000 | |
| প্ৰতি মেৰামতি হিচাপ | | | 1000 |
| (পুৰণি যন্ত্ৰপাতি ক্ৰয় কৰি মেৰামতিৰ বাবদ খৰচ কৰা 1000 টকা ভুলকৈ মেৰামতি হিচাপত ডেবিট কৰা হৈছিল বাবে শুধৰোৱা হ'ল) | | | |

(iv)

| | | | |
|---|---|---|---|
| ভবন হিচাপ | ডেঃ | 10000 | |
| প্ৰতি ক্ৰয় হিচাপ | | | 8000 |
| প্ৰতি মজুৰি হিচাপ | | | 2000 |

(ভবনৰ নিৰ্মাণৰ বাবে সামগ্ৰী আৰু মজুৰি ব্যৱহাৰ কৰা হৈছিল তাক ভবনৰ হিচাপত ডেবিট কৰা হোৱা নাছিল)

(v)

| | | | |
|---|---|---|---|
| আচবাব হিচাপ | ডেঃ | 5000 | |
| প্ৰতি ক্ৰয় হিচাপ | | | 500 |
| প্ৰতি স্থগিত হিচাপ | | | 4500 |

(5000 টকাৰ আচবাব ক্ৰয় কৰা লেনদেনটো ভুলকৈ ক্ৰয় হিচাপত 500 টকাৰে খতিয়নভুক্ত কৰা বাবে শুধৰোৱা হ'ল)

(vi)

| | | | |
|---|---|---|---|
| বিক্ৰয় হিচাপ | ডেঃ | 2000 | |
| প্ৰতি যন্ত্ৰপাতি হিচাপ | | | 2000 |

(যন্ত্ৰপাতি বিক্ৰী কৰা লেনদেনটো বিক্ৰয় হিচাপত ডেবিট কৰা বাবে শুধৰোৱা হ'ল)

(vii)

| | | | |
|---|---|---|---|
| বিক্ৰী ফিৰৎ হিচাপ | ডেঃ | 3000 | |
| প্ৰতি স্থগিত হিচাপ | | | 3000 |

(বিক্ৰী ফিৰৎ বহীৰ মুঠ খতিয়নভুক্ত নোহোৱা বাবে শুধৰোৱা হ'ল)

## স্থগিত হিচাপ

ডেঃ ক্ৰেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | উদ্বৃত্ত মিলন পত্ৰ মতে পাৰ্থক্য | | 7500 | | আচবাব<br>বিক্ৰী ফিৰৎ | | 4500<br>3000 |
| | | | 7500 | | | | 7500 |

*সেয়েহে, 7500 টকাৰ পাৰ্থক্য উদ্বৃত্ত মিলন পত্ৰত আছিল।*

### *উদাহৰণ 6 (Illustration 6)*

অনন্তৰামৰ উদ্বৃত্ত মিলন পত্ৰ সমান হোৱা নাই। এই পত্ৰই 16000 টকাৰ অতিৰিক্ত ক্ৰেডিট দেখুৱালে। তেওঁ এই পাৰ্থক্যৰ বাবে স্থগিত হিচাপ মুকলি কৰিলে। তেওঁ তলৰ ভুলসমূহ ধৰা পেলালে।

(i) মোহিতৰ পৰা পোৱা নগদ 4000 টকা মহেশৰ হিচাপত 1000 টকাৰে খতিয়ানভুক্ত হৈছিল।

(ii) অৰ্ণবৰ পৰা 5800 টকাৰ চেক্ তেওঁৰ 6000 টকাৰ হিচাপৰ সম্পূৰ্ণ মীমাংসাৰ বাবে গ্ৰহণ কৰা হৈছিল যিখন চেক্ প্ৰত্যাখ্যান কৰা হৈছিল। চেক্খন প্ৰত্যাখ্যান হোৱাৰ পিছত কোনো প্ৰবিষ্টি দিয়া হোৱা নাই।

(iii) খান্নাৰ পৰা পোৱা 800 টকা তেওঁৰ হিচাপত ক্ৰেডিট কৰা হৈছিল, যাৰ হিচাপ অনুদ্ধাৰণীয় বুলি ধৰা হৈছিল।

(iv) মানবলৈ বিক্ৰি কৰা 5000 টকা ক্ৰয় বহীৰ জৰিয়তে 2000 টকাৰে লিপিবদ্ধ হৈছিল।

(v) ক্ৰয় বহী 1000 টকাৰে কমকৈ লিখা আছিল।

(vi) যন্ত্ৰপাতিৰ মেৰামতিৰ বাবদখৰচ কৰা 1600 টকা ভুলকৈ যন্ত্ৰপাতিৰ হিচাপ 1000 টকাৰে ডেবিট কৰা হৈছিল।

(vii) নাথুৰ পৰা ফিৰৎ পোৱা 3000 টকাৰ সামগ্ৰী মজুতত অন্তৰ্ভুক্ত কৰা হৈছে। হিচাপৰ বহীত কোনো প্ৰবিষ্টি দিয়া হোৱা নাই।

*সমাধান*

(i)

| | | | |
|---|---|---|---|
| মহেশ | ডেঃ | 1000 | |
| স্থগিত হিচাপ | ডেঃ | 3000 | |
| প্ৰতি মোহিত | | | 4000 |

(মোহিতৰ পৰা নগদ 4000 টকা মহেশৰ হিচাপত 1000 টকাৰে খতিয়নভুক্ত হোৱা বাবে শুধৰোৱা হ'ল)

(ii)

| | | | |
|---|---|---|---|
| অৰ্ণব | ডেঃ | 6000 | |
| প্ৰতি বেংক হিচাপ | | | 5800 |
| প্ৰতি প্ৰদত্ত বাট্টা হিচাপ | | | 200 |

(অৰ্ণবৰ পৰা পোৱা 5800 টকাৰ চেক্ পাবলগীয়া 6000 টকাৰ হিচাপৰ সম্পূৰ্ণ মীমাংসাৰ বাবে গ্ৰহণ কৰোতে বেংকত প্ৰত্যাখ্যান হৈছিল আৰু তাৰ কোনো প্ৰবিষ্টি নিদিয়া বাবে শুধৰোৱা হ'ল।)

(iii)

| | | | |
|---|---|---|---|
| খান্না | ডেঃ | 800 | |
| প্ৰতি অনুদ্ধাৰণীয় ঋণ উদ্ধাৰ হিচাপ | | | 800 |

(অনুদ্ধৰণীয় ঋণ উদ্ধাৰ ভুলকৈ খান্নাৰ হিচাপত ক্ৰেডিট কৰা বাবে শুধৰোৱা হ'ল)

(iv)

| | | | |
|---|---|---|---|
| মানৱ | ডেঃ | 7000 | |
| প্ৰতি ক্ৰয় হিচাপ | | | 2000 |
| প্ৰতি বিক্ৰয় হিচাপ | | | 5000 |

(মানৱলৈ বাকীত বিক্ৰী কৰা 5000 টকাৰ লেনদেনটো ভুলকৈ ক্ৰয় বহীৰ জৰিয়তে 2000 টকাৰে লিপিবদ্ধ কৰা বাবে শুধৰোৱা হ'ল)

(v)

| | | | |
|---|---|---|---|
| ক্ৰয় হিচাপ | ডেঃ | 1000 | |
| প্ৰতি স্থগিত হিচাপ | | | 1000 |
| ( ক্ৰয় বহী কমকৈ লিখা থকা বাবে শুধৰোৱা হ'ল) | | | |

(vi)

| | | | |
|---|---|---|---|
| মেৰামতি হিচাপ | ডেঃ | 1600 | |
| প্ৰতি যন্ত্ৰপাতি হিচাপ | | | 1000 |
| প্ৰতি স্থগিত হিচাপ | | | 600 |
| (যন্ত্ৰপাতিৰ মেৰামতিৰ বাবদ খৰচ কৰা 1600 টকা যন্ত্ৰপাতিৰ হিচাপত 1000 টকাৰে ডেবিট হোৱা বাবে শুধৰোৱা হ'ল) | | | |

(vii)

| | | | |
|---|---|---|---|
| বিক্ৰী ফিৰৎ হিচাপ | ডেঃ | 3000 | |
| প্ৰতি নাথু | | | 3000 |
| (নাথুৰ পৰা পোৱা বিক্ৰী ফিৰৎ লিপিবদ্ধ নকৰা বাবে প্ৰবিষ্টি দিয়া হ'ল) | | | |

## স্থগিত হিচাপ

ডেঃ ক্ৰেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | উদ্বৃত্ত মিলন পাৰ্থক্য পত্ৰৰ মতে | | 16000 | | ক্ৰয় | | 1000 |
| | মোহিত | | 3000 | | মোহিত | | 600 |
| | | | | | উদ্বৃত্ত নিয়া হ'ল | | 17400 |
| | | | 19000 | | | | 19000 |

*টোকা ঃ ভুলবোৰৰ শুধৰণি কৰাৰ পিছতো স্থগিত হিচাপৰ 17400 টকাৰ ডেবিট উদ্বৃত্ত ওলাইছে। এইটো উদ্বৃত্ত মিলন পত্ৰক প্ৰভাবিত কৰা ভুল ধৰা নেপেলোৱা বাবে সংঘটিত হৈছে। স্থগিত হিচাপৰ উদ্বৃত্ত পৰবৰ্তি বৰ্ষলৈ আগবঢ়াই নিয়া হ'ব আৰু বাকী থকা উদ্বৃত্ত মিলন পত্ৰক প্ৰভাবিত কৰা ভুলসমূহ ধৰা পেলালে ইয়াক বন্ধ কৰিব পৰা যাব।*

**উদাহৰণ 7** *(Illustration 7)*

কৈলাশৰ উদ্বৃত্ত মিলন পত্ৰ সমান হোৱা নাছিল। তেওঁ পাৰ্থক্যৰ সৈতে স্থগিত হিচাপ মুকলি কৰিলে। তলৰ ভুলসমূহ আৱিষ্কাৰ কৰা হ'ল ঃ

(i) ব্যক্তিগত ব্যৱহাৰৰ বাবে 500 টকাৰ সামগ্ৰী কৈলাশে আহৰণ কৰাটো লিপিবদ্ধ হোৱা নাছিল।

(ii) ৰমেশৰ পৰা 2040 টকা গ্ৰহণ কৰি তেওঁক 60 টকা বাট্টা দিয়া লেনদেনটো লিপিবদ্ধ কৰা হোৱা নাছিল।

(iii) ৰোহণক 3250 টকা পৰিশোধ কৰি 50 টকা বাট্টা প্ৰাপ্তিৰ লেনদেনটো কোনো হিচাপত খতিয়নভুক্ত হোৱা নাই।

(iv) দেনাদাৰ খলিলৰ পৰা পোৱা 700 টকা তেওঁৰ ব্যক্তিগত হিচাপত ক্ৰেডিট কৰা হৈছিল যাৰ হিচাপ আগতে অনুদ্ধাৰণীয় বুলি ধৰা হৈছিল।

(v) দেনাদাৰ গোবিলৰ পৰা পোৱা নগদ 5000 টকা তেওঁৰ হিচাপত 500 টকাৰে খতিয়নভুক্ত হৈছিল।

(vi) মহেশলৈ ক্ৰয় ফিৰৎ দিয়া 700 টকা তেওঁৰ হিচাপত 70 টকাৰে খতিয়নভুক্ত হৈছিল।

(vii) নাৰায়ণৰ পৰা পোৱা 1000 টকাৰ প্ৰাপ্য বিল প্ৰত্যাখ্যান হ'ল আৰু ভুলতে ৰেহাই হিচাপত 10000 টকাৰে ডেবিট দিশত খতিয়নভুক্ত হৈছিল। ওপৰৰ ভুলসমূহ শুধৰণিৰ বাবে জাবেদা প্ৰবিষ্টি দিয়া আৰু উদ্বৃত্ত মিলন পত্ৰৰ পাৰ্থক্য নিৰ্ধাৰণৰ বাবে স্থগিত হিচাপ প্ৰস্তুত কৰা।

**সমাধান ঃ**

(i)

| | | | |
|---|---|---|---|
| আহৰণ হিচাপ | ডেঃ | 500 | |
| প্ৰতি ক্ৰয় হিচাপ | | | 500 |
| (ব্যক্তিগত ব্যৱহাৰৰ বাবে আহৰণ কৰা লেনদেনটো লিপিবদ্ধ নকৰা বাবে শুধৰোৱা হ'ল) | | | |

*টোকা ঃ ভু লবোৰৰ শুধৰণি কৰাৰ পিছতো স্থগিত হিচাপৰ 17400 টকাৰ ডেবিট উদ্বৃত্ত ওলাইছে। এইটো উদ্বৃত্ত মিলন পত্ৰক প্ৰভাবিত কৰা ভুল ধৰা নেপেলোৱা বাবে সংঘটিত হৈছে। স্থগিত হিচাপৰ উদ্বৃত্ত পৰবৰ্তি বৰ্ষলৈ আগবঢ়াই নিয়া হ'ব আৰু বাকী থকা উদ্বৃত্ত মিলন পত্ৰক প্ৰভাবিত কৰা ভুলসমূহ ধৰা পেলালে ইয়াক বন্ধ কৰিব পৰা যাব।*

***উদাহৰণ** 7 (Illustration 7)*

কৈলাশৰ উদ্বৃত্ত মিলন পত্ৰ সমান হোৱা নাছিল। তেওঁ পাৰ্থক্যৰ সৈতে স্থগিত হিচাপ মুকলি কৰিলে। তলৰ ভুলসমূহ আৱিস্কাৰ কৰা হ'ল ঃ

(i) ব্যক্তিগত ব্যৱহাৰৰ বাবে 500 টকাৰ সামগ্ৰী কৈলাশে আহৰণ কৰাটো লিপিবদ্ধ হোৱা নাছিল।

(ii) ৰমেশৰ পৰা 2040 টকা গ্ৰহণ কৰি তেওঁক 60 টকা বাট্টা দিয়া লেনদেনটো লিপিবদ্ধ কৰা হোৱা নাছিল।

(iii) ৰোহণক 3250 টকা পৰিশোধ কৰি 50 টকা বাট্টা প্ৰাপ্তিৰ লেনদেনটো কোনো হিচাপত খতিয়নভুক্ত হোৱা নাই।

(iv) দেনাদাৰ খলিলৰ পৰা পোৱা 700 টকা তেওঁৰ ব্যাক্তিগত হিচাপত ক্ৰেডিট কৰা হৈছিল যাৰ হিচাপ আগতে অনুদ্ধাৰণীয় বুলি ধৰা হৈছিল।

(v) দেনাদাৰ গোবিলৰ পৰা পোৱা নগদ 5000 টকা তেওঁৰ হিচাপত 500 টকাৰে খতিয়নভুক্ত হৈছিল।

(vi) মহেশলৈ ক্ৰয় ফিৰৎ দিয়া 700 টকা তেওঁৰ হিচাপত 70 টকাৰে খতিয়নভুক্ত হৈছিল।

(vii) নাৰায়ণৰ পৰা পোৱা 1000 টকাৰ প্ৰাপ্য বিল প্ৰত্যাখ্যান হ'ল আৰু ভূলতে ৰেহাই হিচাপত 10000 টকাৰে ডেবিট দিশত খতিয়নভুক্ত হৈছিল। ওপৰৰ ভুলসমূহ শুধৰণিৰ বাবে জাবেদা প্ৰবিষ্টি দিয়া আৰু উদ্বৃত্ত মিলন পত্ৰৰ পাৰ্থক্য নিৰ্ধাৰণৰ বাবে স্থগিত হিচাপ প্ৰস্তুত কৰা।

**সমাধান ঃ**

(i)

| | | | |
|---|---|---|---|
| আহৰণ হিচাপ | ডেঃ | 500 | |
| প্ৰতি ক্ৰয় হিচাপ | | | 500 |
| (ব্যক্তিগত ব্যৱহাৰৰ বাবে আহৰণ কৰা লেনদেনটো লিপিবদ্ধ নকৰা বাবে শুধৰোৱা হ'ল) | | | |

(vii)

| | | | |
|---|---|---|---|
| নাৰায়ণ | ডেঃ | 1000 | |
| স্থগিত হিচাপ | ডেঃ | 9000 | |
| প্ৰতি ৰেহাই হিচাপ (Allowance) | | | 1000 |

(নাৰায়ণৰ পৰা পোৱা 1000 টকাৰ প্ৰাপ্য বিল ভুলকৈ ৰেহাই হিচাপত 1000 টকাৰে ডেবিট কৰা বাবে শুধৰোৱা হ'ল)

## স্থগিত হিচাপ

ডেঃ ক্ৰেঃ

| তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ | তাৰিখ | বিৱৰণ | জাঃ পৃঃ | টকাৰ পৰিমাণ |
|---|---|---|---|---|---|---|---|
| | গোবিন | | 4500 | | মহেশ | | 630 |
| | | | | | উদ্বৃত্ত মিলন পত্ৰৰ মতে পাৰ্থক্য | | 12870 |
| | | | 13500 | | | | 13500 |

### কি বুজিলা কোৱা - IV

***শুদ্ধ উত্তৰটো বাচি উলিওৱা***

(1) উদ্বৃত্ত মিলন পত্ৰৰ সমতা প্ৰভাবিত হয় ঃ

(a) এটা দিশৰ ভুলৰ দ্বাৰা।

(b) দুটা দিশৰ ভুলৰ দ্বাৰা।

(c) a আৰু b দুয়োটা।

(d) ওপৰৰ এটাও নহয়।

(2) **তলৰ কোনটো নীতিগত ভুল নহয় ঃ**

(a) আচবাব ক্ৰয়ৰ লেনদেন ক্ৰয় হিচাপত ডেবিট কৰা।

(b) ক্ৰয় কৰা পুৰণি যন্ত্ৰপাতিৰ সম্পূৰ্ণ (Overhauling) মেৰামতিৰ বাবদ খৰচ হোৱা টকা মেৰামতিৰ হিচাপত ডেবিট কৰা।

(c) মনোজৰ পৰা পোৱা নগদ টকা সৰোজৰ হিচাপত খতিয়ানভুক্ত কৰা।

(d) পুৰণি গাড়ী বিক্ৰী কৰি বিক্ৰয় হিচাপ ক্ৰেডিট কৰা।

(3) **তলৰ কোনটো অশুদ্ধ প্ৰবিষ্টিৰ ভুল নহয় ঃ**

(a) বিক্ৰয় বহী বেছিকৈ লিখা।

(b) ৰমেশলৈ বাকীত বিক্ৰী কৰা 5000 টকা তেওঁৰ হিচাপত ক্ৰেডিট কৰা হ'ল।

(c) যন্ত্ৰপাতিৰ হিচাপৰ ভুল উদ্বৃত্ত।

(d) নগদ বহীত নগদ বিক্ৰী লিপিবদ্ধ নকৰা।

(4) **তলৰ কোন কেইটা ভুল স্থগিত হিচাপৰ জৰিয়তে শুধৰণি কৰা হ'ব ঃ**

(a) বিক্ৰী ফিৰৎ বহী 1000 টকাৰে কমকৈ লিখা হৈছে।

(b) মধুৰ পৰা পোৱা 1000 টকাৰ বিক্ৰী ফিৰৎ লিপিবদ্ধ কৰা হোৱা নাছিল।

(c) মধুৰ পৰা পোৱা 1000 টকাৰ বিক্ৰী ফিৰৎ 100 টকাৰে লিপিবদ্ধ হৈছিল।

(d) মধুৰ পৰা পোৱা 1000 টকাৰে বিক্ৰী ফিৰৎ ক্ৰয় ফিৰৎ বহীৰ জৰিয়তে লিপিবদ্ধ হৈছিল।

(5) **যদি এখন উদ্বৃত্ত মিলন পত্ৰ মিলি যায়, তেন্তে ই বুজায় যে ঃ**

(a) হিচাপৰ বহীত কোনো ভুল নাই।

(b) হিচাপৰ বহীত দ্বৈত দিশৰ ভুল থাকিব পাৰে।

(c) হিচাপৰ বহীত এটা দিশৰ ভুল থাকিব পাৰে।

(d) হিচাপৰ বহীত দ্বৈত দিশৰ ভুল আৰু এটা দিশৰ ভুল এই দুয়োটা ভুল থাকিব পাৰে

(6) **যদি ভুলবোৰৰ শুধৰণিৰ পিছতো স্থগিত হিচাপৰ উদ্বৃত্ত থাকি যাকি যায়, তেন্তে ই বুজায় যে ঃ**

(a) কেবল বহী সমূহত ধৰা পেলাবলগীয়া কিছুমান এটা দিশৰ ভুল আছে।

(b) ধৰা পেলাবলগীয়া আৰু কোনো ভুল নাই।

(c) কেৱল এটা দিশৰ ধৰা পেলাবলগীয়া ভুল কিছুমান আছে।

(d) এটা আৰু দুটা দিশৰ দুয়োবিধ ধৰা পেলাবলগীয়া কিছুমান ভুল আছে।

(7) **যদি নতুন যন্ত্রপাতি বহুওৱাৰ বাবদ খৰচ কৰা মজুৰি, মজুৰি হিচাপত ডেবিট কৰা হয়,**

**এইটো এটা ঃ**

(a) অশুদ্ধ প্ৰবিষ্টিৰ ভুল।

(b) নীতিগত ভুল।

(c) পৰিপূৰক ভুল।

(d) বাদ পৰি যোৱা ভুল।

(8) **উদ্বৃত্ত মিলন পত্ৰ হৈছে ঃ**

(a) এটা হিচাপ।

(b) এখন বিবৃতি।

(c) এটা সহায়কাৰী বহী।

(d) এটা মুখ্য বহী।

(9) **এখন উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰা হয় ঃ**

(a) বিত্তীয় বিবৃতি প্ৰস্তুতকৰণৰ পিছত।

(b) সহায়কাৰী বহীত লেনদেনসমূহ লিপিবদ্ধ কৰাৰ পিছত।

(c) খতিয়নভুক্তকৰণ সম্পূৰ্ণ হোৱাৰ পিছত।

(d) খতিয়নভুক্তকৰণ সম্পূৰ্ণ হোৱাৰ পিছত আৰু হিচাপসমূহ উদ্বৃত্তকৰণ হোৱাৰ পিছত।

## *এই অধ্যায়ত পৰিচয় হোৱা বিষয়সমূহ*

*Key terms introduced in this chapter*

- উদ্বৃত্ত মিলন পত্ৰ
- পৰিপূৰক ভুল
- অশুদ্ধ প্ৰবিষ্টিৰ ভুল
- নীতিগত ভুল
- বাদ পৰিযোৱা ভুল
- স্থগিত হিচাপ

*শিকাৰ উদ্দেশ্যসমূহৰ সাৰাংশ (Summary with Reference to Learning objectives)*

1. *উদ্বৃত্ত মিলন পত্ৰৰ অৰ্থ*ঃ খতিয়নৰ বিভিন্ন হিচাপসমূহৰ ডেবিট বা ক্ৰেডিট উদ্বৃত্ত দেখুওৱা এখন চমু বিবৃতি।
2. *উদ্বত্ত মিলন পত্ৰৰ উদ্দেশ্য* ঃ উদ্বৃত্ত মিলন পত্ৰৰ প্ৰস্তুতকৰণৰ উদ্দেশ্যসমূহ হ'ল - (i) খতিয়নৰ হিচাপ সমূহৰ গণিতিক শুদ্ধতা নিৰ্ধাৰণৰ বাবে, (ii) ভুলসমূহ ধৰা পেলাবৰ বাবে আৰু (iii) চূড়ান্ত হিচাপ প্ৰস্তুতকৰণত সহায় কৰিবৰ বাবে।
3. *উদ্বৃত্ত পদ্ধতিৰ সহায়ত উদ্বৃত্ত মিলন পত্ৰৰ প্ৰস্তুতকৰণ*ঃ এই পদ্ধতিত উদ্বৃত্ত মিলন পত্ৰত তিনিটা স্তম্ভ থাকে। প্ৰথমটো স্তম্ভ হিচাপৰ শিতানসমূহৰ বাবে, দ্বিতীয়টো স্তম্ভ ডেবিট উদ্বৃত্ত লিখাৰ বাবে আৰু তৃতীয়টো স্তম্ভ ক্ৰেডিট উদ্বৃত্ত লিখাৰ বাবে ব্যৱহাৰ হয়।
4. *বিভিন্ন ধৰণৰ ভুলসমূহ ঃ*
   (i) *অশুদ্ধ প্ৰবিষ্টিৰ* ঃ এই ভুল অশুদ্ধ লিপিবদ্ধকৰণৰ বাবে, অশুদ্ধ যোগফলকৰণৰ বাবে, কমকৈ বা বেছিকৈ লিখা বাবে, অশুদ্ধ উদ্বৃত্তকৰণৰ বাবে সংঘটিত হয়।
   (ii) *বাদ পৰি যোৱা ভুল* ঃ এই ভুল এটা লেনদেন সম্পূৰ্ণকৈ বা আংশিকভাবে হিচাপৰ বহীত লিখিবলৈ পাহৰি যোৱা বাবে সংঘটিত হয়।
   (iii) *নীতিগত ভুল* ঃ এই ভুলসমূহ ৰাজস্ব জমা আৰু মূলধন জমা আৰু ৰাজস্ব ব্যয় আৰু মূলধনী ব্যয়ৰ মাজত শ্ৰেণী বিভাজন কৰাৰ সময়ত হোৱা ভুলৰ বাবে সংঘটিত হয়।
   (iv) *পৰিপূৰক ভুল* ঃ যেতিয়া দুটা বা তাতোধিক ভুল এনেভাবে সংঘটিত হয় যে সিহঁতে ডেবিট আৰু ক্ৰেডিট দিশত ইটোৱে সিটোৰ প্ৰভাব পৰিপূৰ্ণ কৰে।
5. *ভুলসমূহৰ শুধৰণি* ঃ কেবল এটা হিচাপক প্ৰভাবিত কৰা ভুলসমূহ এটা বৰ্ণনামূলক টোকা দি বা জাবেদা প্ৰবিষ্টিৰ জৰিয়তে শুধৰণি কৰিব পাৰি। যিবোৰ ভুল দুটা বা তাতোধিক হিচাপক প্ৰভাবিত কৰে তেনে ভুল জাবেদা প্ৰবিষ্টিৰ জৰিয়তে শুধৰণি কৰা হয়।
6. *স্থগিত হিচাপৰ অৰ্থ আৰু উপযোগিতা* ঃ এইটো হিচাপ উদ্বৃত্ত মিলন পত্ৰত পাৰ্থক্যৰ পৰিমাণেৰে অস্থায়ীভাৱে বহুওৱা হয় যেতিয়ালৈকে ভুলসমূহ ধৰা পেলাই শুধৰোৱা নহয়। এই হিচাপে উদ্বৃত্ত মিলন পত্ৰ প্ৰমাণ নহ'লেও বিত্তীয় বিবৃতি প্ৰস্তুতকৰণত সহায় কৰে।
7. *স্থগিত হিচাপ বিলুপ্তিকৰণ* ঃ যেতিয়া সকলোবোৰ ভুল ধৰা পেলাই শুধৰণি কৰা হয় তেতিয়া স্থগিত হিচাপৰ বিলুপ্তিকৰণ হয়।

## *অনুশীলনী*

### *চমু প্ৰশ্ন* (Short Questions)

1. উদ্বৃত্ত মিলন পত্ৰৰ অৰ্থ প্ৰকাশ কৰা।
2. নীতিগত ভুলৰ দুটা উদাহৰণ দিয়া।
3. অশুদ্ধ প্ৰবিষ্টিৰ ভুলৰ দুটা উদাহৰণ দিয়া।
4. উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুতকৰণৰ পদ্ধতিসমূহ কি কি?
5. উদ্বৃত্ত মিলন পত্ৰৰ ভুল ধৰা পেলাবলৈ এজন হিচাপৰক্ষকে ল'ব লগা পদক্ষেপ কেইটা কি কি?
6. স্থগিত হিচাপ কি? হিচাপৰক্ষকে ভুল সমূহৰ শুধৰণি কৰাৰ পিছত স্থগিত হিচাপত উদ্বৃত্ত থকাটো প্ৰয়োজনীয়নে? যদি নহয়, স্থগিত হিচাপত থকা উদ্বৃত্তখিনি কি কৰা হয়?
7. কেনে ধৰণৰ ভুল উদ্বৃত্ত মিলন পত্ৰৰ পাৰ্থক্যৰ কাৰণ হ'ব পাৰে?
8. উদ্বৃত্ত মিলন পত্ৰৰ সীমাবদ্ধতাসমূহ উল্লেখ কৰা।

### *দীঘলীয়া প্ৰশ্ন* (Long Questions)

1. উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰাৰ উদ্দেশ্য ব্যাখ্যা কৰা।
2. নীতিগত ভুলৰ বিষয়ে বৰ্ণনা কৰা আৰু দুটা উদাহৰণৰ সৈতে এই ভুল শুধৰোৱাৰ উপায় উল্লেখ কৰা।
3. অশুদ্ধ প্ৰবিষ্টিৰ ভুলৰ বিষয়ে বৰ্ণনা কৰা আৰু দুটা উদাহৰণৰ সৈতে এই ভুল শুধৰোৱাৰ উপায় উল্লেখ কৰা।
4. সাধাৰণতে ব্যৱসায়ৰ লেনদেনসমূহৰ লিপিবদ্ধ কৰাৰ সময়ত সংঘটিত হোৱা বিভিন্ন ধৰণৰ ভুলসমূহ কি কি?
5. এটা কোম্পানীৰ হিচাপৰক্ষক হিচাপে তুমি দেখিলা যে নতুন উদ্বৃত্ত মিলন পত্ৰখন অমিল হৈছে। উদ্বৃত্ত মিলন পত্ৰখন পুংখানুপুংখ ভাবে পৰীক্ষা কৰাৰ পিছত এটা ভুল ধৰাত পৰিল। বিশেষভাবে কাৰ্যালয়ৰ সা-সৰঞ্জামৰ উদ্বৃত্ত মিলন পত্ৰত 15600 টকাৰে ডেবিট উদ্বৃত্ত দেখুৱাইছে। যদিও শুদ্ধকৈ লিপিবদ্ধ কৰা বাকীত ক্ৰয় কৰা 3500 টকাৰ 'পেনড্ৰাইভ' (Pendrive) জাবেদাৰ পৰা 'কাৰ্যালয় স-সৰঞ্জাম' হিচাপৰ ডেবিট দিশত খতিয়নভুক্ত কৰা হৈছে আৰু আনহাতে 3500 টকাৰে পাওনাদাৰৰ হিচাপত ডেবিট কৰা হৈছে। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা আৰু কিমান পৰিমাণৰ টকাৰে ভুল বিবৃতি দেখুৱাইছে বিচাৰ কৰা।

(a) উদ্বৃত্ত মিলন পত্ৰত কাৰ্যালয়ৰ সা-সৰঞ্জামৰ হিচাপৰ পৰিমাণ বেছি পৰিমাণেৰে, কম পৰিমাণেৰে বা শুদ্ধ টকাৰ পৰিমাণেৰে লিখা হৈছিলনে?

(b) উদ্বৃত্ত মিলন পত্ৰত পাওনাদাৰৰ হিচাপৰ পৰিমাণ বেছি পৰিমাণেৰে, কম পৰিমাণেৰে বা শুদ্ধ টকাৰ পৰিমাণেৰে লিখা হৈছিলনে?

(c) উদ্বৃত্ত মিলন পত্ৰৰ ডেবিট দিশৰ মুঠ টকাৰ পৰিমাণ বেছি, কম বা শুদ্ধ টকাৰ পৰিমাণেৰে লিখা হৈছিলনে?

(d) উদ্বৃত্ত মিলন পত্ৰৰ ক্ৰেডিট দিশৰ মুঠ টকাৰ পৰিমাণ বেছি, কম বা শুদ্ধ টকাৰ পৰিমাণেৰে লিখা হৈছিলনে?

(e) উদ্বৃত্ত মিলন পত্ৰ শুধৰণি কৰাৰ আগত যদি মুঠ ডেবিট স্তম্ভৰ পৰিমাণ 240000 টকা হয় তেন্তে মুঠ ক্ৰেডিট দিশৰ পৰিমাণ কিমান হ'ব?

***বিভিন্ন প্ৰশ্ন***

1. তলৰ ভুল সমূহ শুধৰণি কৰা ঃ

   (i) মোহনলৈ বাকীত বিক্ৰী কৰা 7000 টকা লিপিবদ্ধ কৰা নাই।

   (ii) ৰোহনৰ পৰা বাকী ক্ৰয় কৰা 9000 টকা লিপিবদ্ধ কৰা নাই।

   (iii) 4000 টকাৰ ক্ৰয় ফিৰৎ ৰাকেশক দিয়া হৈছিল যিটো লিপিবদ্ধ হোৱা নাই।

   (iv) মহেশৰ পৰা পোৱা 1000 টকাৰ বিক্ৰী ফিৰৎ লিপিবদ্ধ হোৱা নাই।

2. **তলৰ ভুলসমূহ শুধৰণি কৰা ঃ**

   (i) মোহনলৈ বাকীত বিক্ৰী কৰা 7000 টকা 700 টকাৰে লিপিবদ্ধ হৈছিল।

   (ii) ৰোহনৰ পৰা বাকীত বিক্ৰী কৰা 7000 টকা 700 টকাৰে লিপিবদ্ধ হৈছিল।

   (iii) ৰাকেশক দিয়া 4000 টকাৰ ক্ৰয় ফিৰৎ 400 টকাৰে লিপিবদ্ধ হৈছিল।

   (iv) মহেশৰ পৰা পোৱা 1000 টকাৰ বিক্ৰী ফিৰৎ 100 টকাৰে লিপিবদ্ধ হৈছিল।

3. **তলৰ ভুলসমূহ শুধৰণি কৰা ঃ**

   (i) মোহনলৈ বাকীত বিক্ৰী কৰা 7000 টকা 7200 টকাৰে লিপিবদ্ধ কৰা হৈছিল।

   (ii) ৰোহনৰ পৰা বাকীত ক্ৰয় কৰা 9000 টকা 9900 টকাৰে লিপিবদ্ধ হৈছিল।

   (iii) ৰাকেশলৈ দিয়া ক্ৰয় ফিৰৎ 4000 টকাৰ পৰিবৰ্তে 4040 টকাৰে লিপিবদ্ধ হৈছিল।

   (iv) মহেশৰ পৰা পোৱা 1000 টকাৰ বিক্ৰী ফিৰৎ 1600 টকাৰে লিপিবদ্ধ হৈছিল।

4. **তলৰ ভুলসমূহ শুধৰণি কৰা ঃ**

   (i) 5000 টকাৰ দৰমহা কৰ্মচাৰীৰ ব্যক্তিগত হিচাপত ডেবিট কৰা হৈছিল।

(ii) 4000 টকাৰ ঘৰ ভাড়া ঘৰৰ মালিকৰ ব্যক্তিগত হিচাপত খতিয়নভুক্ত হৈছিল।

(iii) নিজৰ ব্যৱহাৰৰ বাবে আহৰণ কৰা 1000 টকাৰ সামগ্ৰী বিভিন্ন ব্যয় হিচাপত ডেবিট কৰা হৈছিল।

(iv) কোহলিৰ পৰা পোৱা নগদ 2000 টকা কাপোৰৰ হিচাপত খতিয়নভুক্ত হৈছিল।

(v) নগদ 1500 টকা বাবুক পৰিশোধ কৰা হৈছিল আৰু চাবুৰ হিচাপত খতিয়নভুক্ত হৈছিল।

5. **তলৰ ভুলসমূহ শুধৰণি কৰা ঃ**

(i) মোহনলৈ বাকীত বিক্ৰী কৰা 7000 টকা ক্ৰয় বহীৰ জৰিয়তে লিপিবদ্ধ হৈছিল।

(ii) ৰোহনৰ পৰা বাকীত ক্ৰয় কৰা 9000 টকা বিক্ৰয় বহীত লিপিবদ্ধ হৈছিল।

(iii) ৰাকেশক দিয়া 4000 টকাৰ ক্ৰয় ফিৰৎ বিক্ৰী ফিৰৎ বহীত লিপিবদ্ধ হৈছিল।

(iv) মহেশৰ পৰা পোৱা 1000 টকাৰ বিক্ৰী ফিৰৎ ক্ৰয় ফিৰৎ বহীত লিপিবদ্ধ হৈছিল।

(v) নহেশৰ পৰা পোৱা 2000 টকাৰ বিক্ৰী ফিৰৎ ক্ৰয় বহীত লিপিবদ্ধ হৈছিল।

6. **তলৰ ভুলসমূহ শুধৰণি কৰা ঃ**

(i) বিক্ৰয় বহী 700 টকাৰে বেছিকৈ লিখা হৈছিল।

(ii) ক্ৰয় বহী 500 টকাৰে বেছিকৈ লিখা হৈছিল।

(iii) বিক্ৰী ফিৰৎ বহী 300 টকাৰে বেছিকৈ লিখা হৈছিল।

(iv) ক্ৰয় ফিৰৎ বহী 200 টকাৰে বেছিকৈ লিখা হৈছিল।

7. **তলৰ ভুলসমূহ শুধৰণি কৰা ঃ**

(i) বিক্ৰয় বহী 300 টকাৰে কমকৈ লিখা হৈছিল।

(ii) ক্ৰয় বহী 400 টকাৰে কমকৈ লিখা হৈছিল।

(iii) বিক্ৰী ফিৰৎ বহী 200 টকাৰে কমকৈ লিখা আছিল।

(iv) ক্ৰয় ফিৰৎ বহী 100 টকাৰে কমকৈ লিখা হৈছিল।

8. **তলৰ ভুলসমূহ শুধৰণি কৰা আৰু স্থগিত হিচাপ প্ৰস্তুত কৰি উদ্বৃত্ত মিলন পত্ৰৰ পাৰ্থক্য নিৰ্ধাৰণ কৰা।**

(i) মোহনলৈ বাকীত বিক্ৰী কৰা 7000 টকা খতিয়নভুক্ত হোৱা নাছিল।

(ii) ৰোহনৰ পৰা বাকীত ক্ৰয় কৰা 9000 টকা খতিয়নভুক্ত হোৱা নাছিল।

(iii) ৰাকেশক দিয়া 4000 টকাৰ ক্ৰয় ফিৰৎ খতিয়নভুক্ত হোৱা নাছিল।

(iv) মহেশৰ পৰা পোৱা 1000 টকাৰ বিক্ৰী ফিৰৎ খতিয়নভুক্ত হোৱা নাছিল।

(v) গণেশক পৰিশোধ কৰা নগদ 3000 টকা খতিয়নভুক্ত হোৱা নাছিল।

(vi) 2000 টকাৰ নগদ বিক্ৰী খতিয়নভুক্ত হোৱা নাছিল।

(উত্তৰ ঃ উদ্বৃত্ত মিলন পত্ৰৰ পাৰ্থক্য 2000 টকা অতিৰিক্ত ক্ৰেডিট)

9. **তলৰ ভুলসমূহ শুধৰণি কৰা আৰু স্থগিত হিচাপ প্ৰস্তুত কৰি উদ্বৃত্ত মিলন পত্ৰৰ পাৰ্থক্য নিৰ্ধাৰণ কৰা।**

(i) মোহনলৈ বাকীত বিক্ৰী কৰা 7000 টকা 9000 টকাৰে খতিয়নভুক্ত হৈছিল।

(ii) ৰোহনৰ পৰা বাকীত ক্ৰয় কৰা 9000 টকাৰ লেনদেনটো 6000 টকাৰে খতিয়নভুক্ত হৈছিল।

(iii) ৰাকেশক দিয়া 4000 টকাৰ ক্ৰয় ফিৰং 5000 টকাৰে খতিয়নভুক্ত হৈছিল।

(iv) মহেশৰ পৰা লোৱা 1000 টকাৰ ক্ৰয় ফিৰং 3000 টকাৰে খতিয়নভুক্ত হৈছিল।

(v) 2000 টকাৰ নগদ বিক্ৰী 200 টকাৰে খতিয়নভুক্ত হৈছিল।

(উত্তৰ ঃ উদ্বৃত্ত মিলন পত্ৰৰ পাৰ্থক্য 5800 টকা অতিৰিক্ত ডেবিট)

10. **তলৰ ভুলসমূহ শুধৰণি কৰা ঃ**

(i) মোহনলৈ বাকীত বিক্ৰী কৰা 7000 টকা কৰণৰ হিচাপত খতিয়নভুক্ত হৈছিল।

(ii) ৰোহনৰ পৰা বাকীত ক্ৰয় কৰা 9000 টকা গোবিন্দ হিচাপত খতিয়নভুক্ত হৈছিল।

(iii) ৰাকেশক দিয়া 4000 টকাৰ ক্ৰয় ফিৰং নৰেশৰ হিচাপত খতিয়নভুক্ত হৈছিল।

(iv) মহেশৰ পৰা পোৱা 1000 টকাৰ বিক্ৰী ফিৰং মণিষৰ হিচাপত খতিয়নভুক্ত হৈছিল।

(v) 2000 টকাৰ নগদ বিক্ৰী দস্তুৰি হিচাপত খতিয়নভুক্ত হৈছিল।

11. **এটা স্থগিত হিচাপ খোলা হৈছিল বুলি ধৰি তলৰ ভুলসমূহ শুধৰণি কৰা। উদ্বৃত্ত মিলন পত্ৰৰ পাৰ্থক্য নিৰ্ধাৰণ কৰা।**

(i) মোহনলৈ বাকীত বিক্ৰী কৰা 7000 টকা তেওঁৰ হিচাপৰ ক্ৰেডিট দিশত খতিয়নভুক্ত হৈছিল।

(ii) ৰোহনৰ পৰা বাকীত ক্ৰয় কৰা 9000 টকা তেওঁ হিচাপৰ ডেবিট দিশত 6000 টকাৰে খতিয়নভুক্ত হৈছিল।

(iii) ৰাকেশক দিয়া 4000 টকাৰ ক্ৰয় ফিৰং তেওঁৰ হিচাপৰ ক্ৰেডিট দিশত খতিয়নভুক্ত হৈছিল।

(iv) মহেশৰ পৰা পোৱা 1000 টকাৰ বিক্ৰী ফিৰং তেওঁৰ হিচাপৰ ডেবিট দিশত 2000 টকাৰে খতিয়নভুক্ত হৈছিল।

(v) 2000 টকাৰ নগদ বিক্ৰী বিক্ৰয় হিচাপৰ ডেবিট দিশত 5000 টকাৰে খতিয়নভুক্ত হৈছিল।

(উত্তৰ ঃ উদ্বৃত্ত মিলন পত্ৰৰ পাৰ্থক্য 3000 টকা অতিৰিক্ত ডেবিট)

12. **এটা স্থগিত হিচাপ খোলা বুলি ধৰি তলৰ ভুলসমূহ শুধৰণি কৰা। উদ্বৃত্ত মিলন পত্ৰৰ পাৰ্থক্য নিৰ্ধাৰণ কৰা।**

(i) মোহনলৈ বাকীত বিক্ৰী কৰা 7000 টকা কৰণৰ হিচাপত 5000 টকাৰে খতিয়নভুক্ত হৈছিল।

(ii) ৰোহনৰ পৰা বাকীত ক্ৰয় কৰা 9000 টকা গোবিন্দৰ হিচাপৰ ডেবিট দিশত 10000 টকাৰে খতিয়নভুক্ত হৈছিল।

(iii) ৰাকেশকদিয়া 4000 টকাৰ ক্ৰয় ফিৰৎ নৰেশৰ হিচাপৰ ক্ৰেডিট দিশত 3000 টকাৰে খতিয়নভুক্ত হৈছিল।

(iv) মহেশৰ পৰা পোৱা 1000 টকাৰ বিক্ৰী ফিৰৎ মণিষৰ হিচাপৰ ডেবিট দিশত 2000 টকাৰে খতিয়নভুক্ত হৈছিল।

(v) 2000 টকাৰ নগদ বিক্ৰী 200 টকাৰে দস্তুৰি হিচাপত খতিয়নভুক্ত হৈছিল।

(উত্তৰ ঃ উদ্বৃত্ত মিলন পত্ৰত পাৰ্থক্য 14800 টকা অতিৰিক্ত ডেবিট)

13. **এটা স্থগিত হিচাপ খোলা বুলি ধৰি তলৰ ভুলসমূহ শুধৰণি কৰা।**

(i) মোহনলৈ বাকীত বিক্ৰী কৰা 7000 টকা ক্ৰয় বহীত লিপিবদ্ধ কৰা হৈছিল যদিও মোহনৰ হিচাপ শুদ্ধভাবেই ডেবিট কৰা হৈছিল।

(ii) ৰোহনৰ পৰা বাকীত ক্ৰয় কৰা 9000 টকা বিক্ৰয় বহীত লিপিবদ্ধ হৈছিল যদিও ৰোহনৰ হিচাপ শুদ্ধভাবেই ক্ৰেডিট কৰা হৈছিল।

(iii) ৰাকেশক দিয়া 4000 টকাৰ ক্ৰয় ফিৰৎ বিক্ৰী ফিৰৎ বহীত লিপিবদ্ধ কৰা হৈছিল যদিও ৰাকেশৰ হিচাপ শুদ্ধভাবেই ডেবিট কৰা হৈছিল।

(iv) মহেশৰ পৰা পোৱা 1000 টকাৰ বিক্ৰী ফিৰৎ ক্ৰয় ফিৰৎ বহীৰ জৰিয়তে লিপিবদ্ধ হৈছিল যদিও মহেশৰ হিচাপ শুদ্ধভাবেই ক্ৰেডিট কৰা হৈছিল।

(v) নৰেশক দিয়া 2000 টকাৰ ক্ৰয় ফিৰৎ ক্ৰয় বহীৰ জৰিয়তে লিপিবদ্ধ হৈছিল যদিও নৰেশৰ হিচাপ শুদ্ধভাবেই ডেবিট হৈছিল।

(উত্তৰ ঃ উদ্বৃত্ত মিলন পত্ৰত পাৰ্থক্য 6000 টকা অতিৰিক্ত ডেবিট)

14. **তলৰ ভুলসমূহ শুধৰণি কৰা।**

(i) 10000 টকাৰ আঁচবাব ক্ৰয় কৰা লেনদেনটো ক্ৰয় হিচাপত ডেবিট কৰা হৈছিল।

(ii) ৰমেনৰ পৰা বাকীত ক্ৰয় কৰা 20000 টকাৰ যন্ত্ৰপাতি ক্ৰয় বহীৰ জৰিয়তে লিপিবদ্ধ হৈছিল।

(iii) যন্ত্ৰপাতিৰ মেৰামতিৰ 1400 টকা যন্ত্ৰপাতিৰ হিচাপত ডেবিট হৈছিল।

(iv) ক্ৰয় কৰা পুৰণি যন্ত্ৰপাতিৰ সম্পূৰ্ণ মেৰামতিৰ বাবদ খৰচ হোৱা 2000 টকা মেৰামতি হিচাপত ডেবিট কৰা হৈছিল।

(v) 3000 টকা মূল্যৰ পুৰণি যন্ত্ৰপাতি বিক্ৰী কৰা লেনদেনটো বিক্ৰয় হিচাপ ক্ৰেডিট কৰা হৈছিল।

15. **স্থগিত হিচাপ খোলা বুলি তলৰ ভুলবোৰ শুধৰণি কৰা। উদ্বৃত্ত মিলন পত্ৰত পাৰ্থক্য নিৰ্ধাৰণ কৰা।**

(i) 10000 টকাৰ আঁচবাব ক্ৰয় কৰোতে ভুলকৈ 4000 টকাৰে ক্ৰয় হিচাপ ডেবিট কৰা হৈছিল।

(ii) ৰমেনৰ পৰা বাকীত ক্ৰয় কৰা 20000 টকাৰ যন্ত্ৰপাতি ক্ৰয় বহীৰ জৰিয়তে 6000 টকাৰে লিপিবদ্ধ হৈছিল।

(iii) যন্ত্ৰপাতিৰ মেৰামতিৰ 1400 টকা যন্ত্ৰপাতিৰ হিচাপত 2400 টকাৰে ডেবিট হৈছিল।

(iv) ক্ৰয় কৰা পুৰণি যন্ত্ৰপাতিৰ সম্পূৰ্ণ মেৰামতিৰ বাবদ খৰচ হোৱা 2000 টকা মেৰামতি হিচাপত 200 টকাৰে ডেবিট কৰা হৈছিল।

(v) 3000 টকা মূল্যৰ পুৰণি যন্ত্ৰপাতি বিক্ৰী কৰা লেনদেনটোত বিক্ৰয় হিচাপ 5000 টকাৰে ক্ৰেডিট কৰা হৈছিল।

(উত্তৰ ঃ উদ্বৃত্ত মিলন পত্ৰত পাৰ্থক্য 8800 টকা অতিৰিক্ত ক্ৰেডিট)

16. **তলৰ ভুলসমূহ শুধৰণি কৰা ঃ**

(a) যন্ত্ৰপাতিৰ ওপৰত 4000 টকাৰ অৱক্ষয় খতিয়নভুক্ত হোৱা নাছিল।

(b) 5000 টকাৰ অনুদ্ধাৰণীয় ঋণ খতিয়নভুক্ত হোৱা নাছিল।

(c) দেনাদাৰৰ পৰা নগদ টকা গ্ৰহণ কৰোতে 100 টকা বাট্টা দিয়াটো খতিয়নভুক্ত হোৱা নাছিল।

(d) এজন দেনাদৰৰ পৰা পোৱা 2000 টকাৰ প্ৰাপ্য বিল খতিয়নভুক্ত হোৱা নাছিল।

17. **তলৰ ভুলসমূহ শুধৰণি কৰা ঃ**

(a) যন্ত্ৰপাতিৰ ওপৰত 4000 টকাৰ অৱক্ষয় 400 টকাৰে খতিয়নভুক্ত হৈছিল।

(b) 5000 টকাৰ অনুদ্ধাৰণীয় ঋণ 6000 টকাৰে খতিয়নভুক্ত হৈছিল।

(c) দেনাদাৰৰ পৰা নগদ টকা গ্ৰহণ কৰোতে বাট্টা দিয়া 100 টকা 60 টকাৰে খতিয়নভুক্ত হৈছিল।

(d) ব্যক্তিগত ব্যৱহাৰৰ বাবে আহৰণ কৰা 400 টকাৰ সামগ্ৰী 300 টকাৰে খতিয়নভুক্ত হৈছিল।

(e) এজন দেনাদাৰৰ পৰা পোৱা 2000 টকাৰ প্ৰাপ্য বিল 3000 টকাৰে খতিয়নভুক্ত হৈছিল।

18. **স্থগিত হিচাপ খোলা বুলি ধৰি তলৰ ভুলসমূহ শুধৰণি কৰা। উদ্বৃত্ত মিলন পত্ৰত পাৰ্থক্য নিৰ্ধাৰণ কৰা ঃ**

(a) যন্ত্ৰপাতিৰ ওপৰত 4000 টকাৰ অৱক্ষয়, অৱক্ষয়ৰ হিচাপত খতিয়নভুক্ত হোৱা নাই।

(b) 5000 টকাৰ অনুদ্ধাৰণীয় ঋণ দেনাদাৰৰ হিচাপত খতিয়নভুক্ত হোৱা নাছিল।

(c) এজন দেনাদাৰৰ পৰা পোৱা নগদ টকাৰ বিপৰীতে বাট্টা দিয়া 100টকা বাট্টা হিচাপত খতিয়নভুক্ত হোৱা নাই।

(d) ব্যক্তিগত ব্যৱহাৰৰ বাবে আহৰণ কৰা 400 টকা আহৰণ হিচাপত খতিয়নভুক্ত হোৱা নাই।

(e) এজন দেনাদাৰৰ পৰা 2000 টকাৰ প্ৰাপ্য বিল, প্ৰাপ্য বিল হিচাপত খতিয়নভুক্ত হোৱা নাই।

(উত্তৰ ঃ উদ্বৃত্ত মিলন পত্ৰত পাৰ্থক্য 1900 টকা অতিৰিক্ত ক্ৰেডিট)

19. অনুজৰ উদ্বৃত্ত মিলন পত্ৰ মিলা নাই। এই পত্ৰই অতিৰিক্ত 6000 টকা ক্ৰেডিট দেখুৱাইছে। তেওঁ এই পাৰ্থক্য স্থগিত হিচাপত দেখুৱালে। তেওঁ তলৰ ভুল সমূহ ধৰা পেলালে।
   (a) ৰঙিলৰ পোৱা নগদ 8000 টকা তেওঁৰ হিচাপত 6000 টকাৰে খতিয়নভুক্ত হৈছিল।
   (b) বিক্ৰী ফিৰৎ বহী 1000 টকাৰে বেছিকৈ লিখা হৈছিল।
   (c) বিক্ৰয় বহীৰ মুঠ 10000 টকা বিক্ৰয় হিচাপত খতিয়নভুক্ত হোৱা নাছিল।
   (d) নানকৰ পৰা বাকীত ক্ৰয় কৰা 7000 টকা বিক্ৰয় বহীত লিপিবদ্ধ হৈছিল যদিও নানকৰ হিচাপ শুদ্ধভাবেই ক্ৰেডিট কৰা হৈছিল।
   (e) 10,000 টকাৰ যন্ত্ৰপাতি ক্ৰয় কৰা লেনদেনটো 5000 টকাৰে ক্ৰয় হিচাপত খতিয়নভুক্ত কৰা হৈছিল। ভুলসমূহ শুধৰণি কৰা আৰু স্থগিত হিচাপ প্ৰস্তুত কৰা।
   (উত্তৰ ঃ স্থগিত হিচাপৰ মুঠ 19,000 টকা)
20. ৰাজুৰ উদ্বৃত্ত মিলন পত্ৰই অতিৰিক্ত 1000 টকাৰ ডেবিট উদ্বৃত্ত দেখুৱালে। তেওঁ এই পাৰ্থক্যৰে স্থগিত হিচাপ খুলিলে আৰু তলৰ ভুল সমূহ ধৰা পেলালে ঃ
   (a) আঁচবাবৰ ওপৰত নিৰ্ধৰণ কৰা 6000 টকাৰ অৱক্ষয় আঁচবাবৰ হিচাপত খতিয়নভুক্ত হোৱা নাছিল।
   (b) ৰূপমলৈ বকীত ক্ৰয় কৰা 10,000 টকা 7000 টকাৰে লিপিবদ্ধ হৈছিল।
   (c) ক্ৰয় বহী 2000 টকাৰে কমকৈ লিখা আছিল।
   (d) ৰাণালৈ বিক্ৰী কৰা নগদ 5000 টকা খতিয়নভুক্ত হোৱা নাছিল।
   (e) 7000 টকাত বিক্ৰী কৰা পুৰণি যন্ত্ৰপাতি বিক্ৰয় হিচাপত ক্ৰেডিট কৰা হৈছিল।
   (f) কাণনক নগদ পৰিশোধ কৰোতে 800 টকাৰ প্ৰাপ্য বাট্টা খতিয়নভুক্ত হোৱা নাছিল। ভুলসমূহ শুধৰণি কৰা আৰু স্থগিত হিচাপ প্ৰস্তুত কৰা।
   (উত্তৰ ঃ স্থগিত হিচাপৰ উদ্বৃত্ত নিয়া হ'ব 1000 টকা (চক্ৰ)
21. মদনৰ উদ্বৃত্ত মিলন পত্ৰ মিলি যোৱা নাছিল আৰু পাৰ্থক্যৰ পৰিমাণেৰে স্থগিত হিচাপ খুলিলে। তেওঁ তলৰ ভুলসমূহ ধৰা পেলালে ঃ
   (a) বিক্ৰী ফিৰৎ বহী 800 টকাৰে বেছিকৈ লিখা হৈছিল।
   (b) চাহুক দিয়া 2000 টকাৰ ক্ৰয় ফিৰৎ খতিয়নভুক্ত হোৱা নাছিল।
   (c) নাৰুলাৰপৰা বাকীত ক্ৰয় কৰা 4000 টকাৰ সামগ্ৰী মজুতত অন্তৰ্গত কৰা হৈছিল, কিন্তু হিচাপৰ বহী কোনো প্ৰবিষ্টি দিয়া হোৱা নাছিল।
   (d) নতুন যন্ত্ৰপাতি সংস্থাপনৰ বাবে খৰচ কৰা 500 টকা 'বিভিন্ন খৰচ' (Sundry Expenses) হিচাপত 50 টকাৰে ডেবিট কৰা হৈছিল।

(e) স্থানীয় উন্নয়নৰ বাবে ঘৰৰ মালিকক দিয়া 1400 টকা ঘৰ ভাড়া হিচাপত 1000 টকাৰে ডেবিট কৰা হৈছিল। ভুলসমূহ শুধৰণি কৰা আৰু উদ্বৃত্ত মিলন পত্ৰৰ পাৰ্থক্য নিৰ্ধাৰণ কৰিবলৈ স্থগিত হিচাপ প্ৰস্তুত কৰা।

(উত্তৰ ঃ উদ্বৃত্ত মিলন পত্ৰত পাৰ্থক্য 2050 টকা অতিৰিক্ত ক্ৰেডিট)

22. **কোহলিৰ উদ্বৃত্ত মিলনপত্ৰ মিলি যোৱা নাছিল আৰু অতিৰিক্ত 16300 টকাৰ ডেবিট দেখুৱাইছিল। তেওঁ এই পাৰ্থক্যৰ পৰিমাণেৰে স্থগিত হিচাপ খুলিলে আৰু তলৰ ভুলসমূহ ধৰা পোলালে।**

(a) ৰজতৰ পৰা পোৱা নগদ 5000 টকা কমলৰ হিচাপৰ ডেবিট দিশত 6000 টকাৰে খতিয়নভুক্ত হৈছিল।

(b) এজন কৰ্মচাৰীক দৰমহা পৰিশোধ কৰা 2000 টকা তেওঁৰ ব্যক্তিগত হিচাপত 1200 টকাৰে ডেবিট কৰা হৈছিল।

(c) ব্যক্তিগত ব্যাৱহাৰৰ বাবে আহৰণ কৰা 1000 টকা বিক্ৰয় হিচাপত 1600 টকাৰে ক্ৰেডিট কৰা হৈছিল।

(d) যন্ত্ৰপাতিৰ ওপৰত নিৰ্ধাৰণ কৰা 3000 টকাৰ অৱক্ষয় যন্ত্ৰপাতিৰ হিচাপত 300 টকাৰে খতিয়নভুক্ত হৈছিল।

(e) 10,000 টকাত বিক্ৰী কৰা পুৰণি গাড়ী বিক্ৰয় হিচাপত 6000 টকাৰে ক্ৰেডিট কৰা হৈছিল। ভুলসমূহ শুধৰণি কৰা আৰু ই স্থগিত হিচাপ প্ৰস্তুত কৰা।

(উত্তৰ ঃ স্থগিত হিচাপৰ মুঠ ঃ 17700 টকা)

23. **স্থগিত হিচাপ খুলা বুলি ধৰি তলৰ ভুলসমূহ শুধৰণি কৰিবলৈ জাবেদা প্ৰবিষ্টি দিয়া।**

(a) 5000 টকাৰ সামগ্ৰী বিনামূলীয়া নমুনা হিচাপে বিতৰণ কৰাটো লিপিবদ্ধ হোৱা নাছিল।

(b) ব্যক্তিগত ব্যাৱহাৰৰ বাবে আহৰণ কৰা 2000 টকাৰ সামগ্ৰী হিচাপৰ বহীত লিপিবদ্ধ হোৱা নাছিল।

(c) এজন দেনাদাৰৰ পৰা পোৱা 6000 টকাৰ প্ৰাপ্য বিল তেওঁৰ হিচাপত খতিয়নভুক্ত হোৱা নাছিল।

(d) বিক্ৰী ফিৰৎ বহীৰ মুঠ 1200 টকা ক্ৰয় ফিৰৎ হিচাপত খতিয়নভুক্ত হৈছিল।

(e) ৰীমাৰ পৰা নগদ টকা গ্ৰহণ কৰোতে তেওঁক দিয়া 700 টকাৰ বাট্টা বহীত 70 টকাৰে লিপিবদ্ধ হৈছিল।

(উত্তৰ ঃ উদ্বৃত্ত মিলন পত্ৰত পাৰ্থক্য 3600 টকা অতিৰিক্ত ডেবিট)

24. **'খাটাউ'ৰ উদ্বৃত্ত মিলন পত্র মিলি যোৱা নাছিল। তেওঁ পাৰ্থক্যৰ পাৰিমাণেৰে স্থগিত হিচাপ খুলিলে আৰু তলৰ ভুলসমূহ ধৰা পেলালে।**

(a) মানসলৈ বাকীত বিক্ৰী কৰা 16000 টকা ক্ৰয় বহীত 10000 টকাৰে লিপিবদ্ধ কৰা হৈছিল আৰু মানসৰ হিচাপৰ ডেবিট দিশত 1000 টকাৰে খতিয়নভূক্ত হৈছিল।

(b) নূৰৰ পৰা ক্ৰয় কৰা 6000 টকাৰ আঁচবাব ক্ৰয় বহীত 5000 টকাৰে লিপিবদ্ধ হৈছিল আৰু নূৰৰ হিচাপৰ ডেবিটত 2000 টকাৰে খতিয়নভূক্ত হৈছিল।

(c) ৰায়ক দিয়া 3000 টকাৰ ফিৰৎ বিক্ৰয় বহীত 1000 টকাৰে লিপিবদ্ধ হৈছিল।

(d) মণিষলৈ বিক্ৰী কৰা 2000 টকাৰ পুৰণি যন্ত্ৰপাতি বিক্ৰয় বহীৰ জৰিয়তে 1800 টকাৰে লিপিবদ্ধ হৈছিল আৰু মণিযৰ হিচাপৰ ক্ৰেডিট 1200 টকাৰে খতিয়নভূক্ত হৈছিল।

(e) বিক্ৰী ফিৰৎ বহীৰ মুঠ 2800 টকা ক্ৰয় হিচাপত খতিয়নভূক্ত হৈছিল। ওপৰৰ ভুলসমূহ শুধৰণি কৰা আৰু উদ্বৃত্ত মিলন পত্ৰত পাৰ্থক্য নিৰ্ধাৰণ কৰিবলৈ স্থগিত হিচাপ প্ৰস্তুত কৰা।
(উত্তৰ ঃ উদ্বৃত্ত মিলন পত্ৰত পাৰ্থক্য 11500 টকা অতিৰিক্ত ডেবিট)

25. **জনৰ উদ্বৃত্ত মিলন পত্র মিলি যোৱা নাছিল। তেওঁ পাৰ্থক্য পৰিমাণেৰে স্থগিত হিচাপ খুলিলে আৰু তলৰ ভুলসমূহ ধৰা পেলালে।**

(a) জানুৱাৰী মাহত বিক্ৰয় বহীৰ 2 নং পৃষ্ঠাৰ মুঠ যোগফল 3 নং পৃষ্ঠালৈ 1200 টকাৰ পৰিবৰ্তে 1000 টকাৰে লৈ যোৱা হৈছিল আৰু 6 নং পৃষ্ঠাৰ মুঠ যোগফল 5000 টকাৰ পৰিবৰ্তে 5600 টকাৰে 7 নং পৃষ্ঠালৈ অনা হৈছিল।

(b) যন্ত্ৰপাতি বহুৱাৰ বাবে দিয়া মজুৰী 500 টকা মজুৰি হিচাপত 50 টকাৰে খতিয়নভূক্ত হৈছিল।

(c) আৰ. এণ্ড কোম্পানীৰ পৰা বাকীত ক্ৰয় কৰা 11000 টকাৰ যন্ত্ৰপাতি ক্ৰয় বহীত 6000 টকাৰে অৰ্ন্তভূক্ত কৰা হৈছিল আৰু ইয়াৰ পৰা আৰ এণ্ড কোম্পানীৰ হিচাপত 1000 টকাৰে খতিয়নভূক্ত কৰা হৈছিল।

(d) মোহনলৈ বাকীত বিক্ৰী কৰা 5000 টকা ক্ৰয় বহীত লিপিবদ্ধ কৰা হৈছিল।

(e) ৰামক দিয়া 1000 টকাৰ ফিৰৎ বিক্ৰয় বহীত লিপিবদ্ধ হৈছিল।

(f) এছ. এণ্ড কোম্পানীৰ পৰা বাকীত ক্ৰয় কৰা 6000 টকা বিক্ৰয় বহীত লিপিবদ্ধ হৈছিল যদিও এছ. এণ্ড কোম্পানীৰ হিচাপ শুদ্ধভাবেই ক্ৰেডিট কৰা হৈছিল।

(g) এম. এণ্ড কোম্পানীৰ পৰা বাকীত ক্ৰয় কৰা 6000 টকা বিক্ৰয় বহীত 2000 টকাৰে লিপিবদ্ধ হৈছিল আৰু তাৰ পৰা এম. এণ্ড কোম্পানীৰ হিচাপৰ ক্ৰেডিট দিশত 1000 টকাৰে খতিয়নভূক্ত হৈছিল।

(h) ৰমেনলৈ বাকীত বিক্ৰী কৰা 4000 টকা ৰামবনৰ হিচাপৰ ক্ৰেডিট দিশত 1000 টকাৰে খতিয়নভুক্ত হৈছিল।

(i) নূৰৰ পৰা পোৱা 1600 টকাৰ প্ৰাপ্য বিল প্ৰত্যাখ্যান হৈছিল আৰু ৰেহাই হিচাপৰ ডেবিট দিশত খতিয়নভুক্ত হৈছিল।

(j) আমাৰ প্ৰতিশ্ৰুতি মতে মণিক পৰিশোধ কৰা নগদ 5000 টকা মনুৰ হিচাপত ডেবিট কৰা হৈছিল।

(k) 3000 টকাত বিক্ৰী কৰা পুৰণি আচবাব পত্ৰ বিক্ৰয় হিচাপত 1000 টকাৰে খতিয়নভুক্ত হৈছিল।

(l) আঁচবাবৰ ওপৰত নিৰ্ধাৰণ কৰা 400 টকাৰ অৱক্ষয় খতিয়নভুক্ত হোৱা নাছিল।

(m) ঘৰৰ নিৰ্মাণৰ বাবে 10000 টকাৰ সামগ্ৰী আৰু 3000 টকাৰ মজুৰি ব্যৱহাৰ কৰা হৈছিল।
হিচাপৰ বহীত কোনো প্ৰবিষ্টি দিয়া হোৱা নাছিল। ভুলসমূহ শুধৰণি কৰা আৰু উদ্বৃত্ত মিলন পত্ৰত পাৰ্থক্য নিৰ্ধাৰণ কৰিবলৈ স্থগিত হিচাপ প্ৰস্তুত কৰা।
(উত্তৰ ঃ উদ্বৃত্ত মিলন পত্ৰত পাৰ্থক্য 13850 টকা অতিৰিক্ত ক্ৰেডিট)

## *কি বুজিলা কোৱাৰ উত্তৰ*

*কি বুজিলা কোৱা - I*

উদ্বৃত্ত মিলন পত্ৰৰ মুঠ 51700 টকা।

*কি বুজিলা কোৱা - II*

| | | | | |
|---|---|---|---|---|
| 1. | ক্ৰয় হিচাপ | ডেঃ | 5000 | |
| | প্ৰতি ৰজনী | | | 5000 |
| | ৰজনী | ডেঃ | 5000 | |
| | প্ৰতি বিক্ৰয় হিচাপ | | | 5000 |
| | ৰজনী | ডেঃ | 1000 | |
| | প্ৰতি বিক্ৰয় হিচাপ | | | 5000 |
| | প্ৰতি ক্ৰয় হিচাপ | | | 5000 |

| | | | | |
|---|---|---|---|---|
| 2. | ক্রয় হিচাপ | ডেঃ | 8000 | |
| | প্রতি ৰাও | | | 8000 |
| | আচবাব হিচাপ | ডেঃ | 8000 | |
| | প্রতি ক্রয় হিচাপ | | | 8000 |
| 3. | নগদ হিচাপ | ডেঃ | 15000 | |
| | প্রতি দস্তুৰি হিচাপ | | | 15000 |
| | নগদ হিচাপ | ডেঃ | 15000 | |
| | প্রতি বিক্রয় হিচাপ | | | 15000 |
| | দস্তুৰি হিচাপ | ডেঃ | 15000 | |
| | প্রতি বিক্রয় হিচাপ | | | 15000 |
| 4. | নগদ হিচাপ | ডেঃ | 6000 | |
| | প্রতি নাদীম্ | | | 6000 |
| | নগদ হিচাপ | ডেঃ | 6000 | |
| | প্রতি কৰীম্ | | | 6000 |

*কি বুজিলা কোৱা - III*

1. অশুদ্ধ প্রবিষ্টিৰ ভুল

| | | | |
|---|---|---|---|
| মোহন | ডেঃ | 12000 | |
| প্রতি বিক্রয় হিচাপ | | | 12000 |
| মোহন | ডেঃ | 11000 | |
| প্রতি বিক্রয় হিচাপ | | | 11000 |
| স্থগিত হিচাপ | ডেঃ | 2000 | |
| প্রতি মোহন | | | 2000 |

2. *আংশিক ভাবে বাদ পৰা ভুল*

| | | | |
|---|---|---|---|
| XXX হিচাপ | ডেঃ | 2000 | |
| প্ৰতি নগদ হিচাপ | | | 2000 |

| | | | |
|---|---|---|---|
| নেহা | ডেঃ | 2000 | |
| প্ৰতি স্থগিত হিচাপ | | | 2000 |

3. *কৰ্মাত্মক ভুল*

| | | | |
|---|---|---|---|
| বিক্ৰী ফিৰৎ হিচাপ | ডেঃ | 1600 | |
| প্ৰতি মেঘা | | | 1000 |

| | | | |
|---|---|---|---|
| বিক্ৰী ফিৰৎ হিচাপ | ডেঃ | 1600 | |
| প্ৰতি মেঘা | | | 1600 |

| | | | |
|---|---|---|---|
| স্থগিত হিচাপ | ডেঃ | 600 | |
| প্ৰতি মেঘা | | | 600 |

4. **কৰ্মাত্মক ভুল**

| | | | |
|---|---|---|---|
| XXX হিচাপ | ডেঃ | 1500 | |
| প্ৰতি আঁচবাব হিচাপ | | | 1500 |

| | | | |
|---|---|---|---|
| অৱক্ষয় হিচাপ | ডেঃ | 1500 | |
| প্ৰতি স্থগিত হিচাপ | | | 1500 |

*কি বুজিলা কোৱা - IV*

1. (c) 2. (c) 3. (d) 4. (a) 5. (b) 6. (a) 7. (b) 8. (b) 9. (d)